## মৰিগাঁৱত ধৃত ১১ চাইবাৰ অপৰাধী

ই-সংবাদ, মৰিগাঁও, ৩ জানুৱাৰীঃ নতুন বছৰৰ পহিলা সপ্তাহটোতে মৰিগাঁও আৰক্ষীয়ে ৪ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

SATURDAY, JANUARY 04, 2025 ■ শনিবাৰ, ১৯ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.com ■ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১০ Guwahati, Assam ।। মূল্যঃ এটকা

## জীৱ-জন্তুৱো উঠিছে খং! নিহত পুৰুষ-মহিলা

ই-সংবাদ, উত্তৰ গুৱাহাটী-কলিয়াবৰ, ৩ জানুৱাৰীঃ খং উঠিছে জীৱ-জন্তুৱো! জীৱ-জন্তুৰ খং উঠাৰ ফলত ৰাজ্যত গঁড়-ম'হৰ আক্ৰমণত নিহত হৈছে পুৰুষ-মহিলা। বন বিভাগে বন্য প্ৰাণীৰ সন্ত্ৰাস শেষাংশ ৩ পৃষ্ঠাত

# উৰুখা পঁজাত দিন কটাইছে বিষ্ণুৰাভা বঁটা প্ৰাপক দুৰ্লভা মৰাণে

### হেমাংগ বিশ্বাসে 'বনৰীয়া ফুল' আখ্যা দিয়া নৃত্য পটিয়সীৰ আজি দুচকুৰে বয় হুমুনিয়াহৰ চকুলো



### খবৰ ল'বলৈ কাৰো নাই আহৰি!


ৰাজীৱ বৰা, ৩ জানুৱাৰীঃ নিভাজ তথা স্বকীয় বিহু নাচেৰে সত্তৰ দশকত গুৱাহাটীৰ কেইবাখনো ঐতিহ্যমণ্ডিত বিহুতলীত বিহু নাচ প্ৰদৰ্শন কৰি খ্যাতি অৰ্জন কৰা তিনিচুকীয়া শেষাংশ ৫ পৃষ্ঠাত

### ১৬ লাখ ছাত্ৰীয়ে ২০২৩-২৪ বৰ্ষত আধাতে এৰিছে স্কুল

# বিদ্যালয়ত হ্ৰাস ছাত্ৰ-ছাত্ৰী

নতুন দিল্লী, ৩ জানুৱাৰীঃ ২০২৩-২৪ বৰ্ষত সমগ্ৰ দেশৰ বিদ্যালয়সমূহত নামভৰ্তিৰ হাৰ বিগত বৰ্ষৰ তুলনাত ৩৭ লাখ হ্ৰাস পাইছে। ২০২২-২৩ বৰ্ষত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ২৫.১৭ কোটি, আনহাতে ২০২৩-২৪ বৰ্ষৰ বাবে এই সংখ্যা ২৪.৮০ কোটি। এই শেষাংশ ৫ পৃষ্ঠাত

### চুমি, বিশাল, তাৰ্কিকৰ সলনি হ'ল ঠিকনা!



বিতং বাতৰি ৫ পৃষ্ঠাত

## ৩ নতুন ৰে'ল মুকলি বৈষ্ণৱৰ

### কোকৰাঝাৰত এফএম ট্ৰেন্সমিটাৰ উদ্বোধন, ■ জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰত পানী যোগানৰ ভূমি পূজন



গুৱাহাটীত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ

ই-সংবাদ বিশেষ, গুৱাহাটী-কোকৰাঝাৰ-জাগীৰোড, ৩ জানুৱাৰীঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি পল্টনবজাৰস্থিত গুৱাহাটী ৰে'ল ষ্টেচনত অনুষ্ঠিত ৩ পৃষ্ঠাত


### ৰাজনীতিত ছাত্ৰ নেতাৰ বিলৈ

## ৰাজ্যিকৰ পৰা জিলালৈ দীপাংক



ই-সংবাদ, গুৱাহাটী, ৩ জানুৱাৰীঃ অৱশেষত ভাল খবৰ আহিল দীপাংকৰ নাথলৈ। দীৰ্ঘদিন ধৰি বিজেপি দলৰ নিষ্ক্ৰিয় হৈ বহি থকাৰ ২ পৃষ্ঠাত

## বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক পৰাণ বৰবৰুৱাৰ মৃত্যু



ই-সংবাদ, ৩ জানুৱাৰীঃ নতুন বছৰটোত ৰাজ্যখনে হেৰুৱালে এজন কলা সংস্কৃতিৰ সাধকক। নতুন বছৰৰ শেষাংশ ৩ পৃষ্ঠাত

## চীনত ক'ভিড-১৯ৰ দৰে অন্য এক মহামাৰীৰ প্ৰাদুৰ্ভাৱ! দেশে দেশে সতৰ্কতা জাৰি

বেইজিং, ৩ জানুৱাৰীঃ ক'ৰনা মহামাৰীৰ দৰেই আন এক মাৰাত্মক মহামাৰীৰে বিশ্বজুৰি আতংকৰ সৃষ্টি কৰিবলৈ সাজু হৈছে চীন! কোভিডৰ শেষাংশ ৪ পৃষ্ঠাত



## পায়েল কাণ্ডৰ নতুন মোৰ, দুজনকৈ যুৱকক গ্ৰেপ্তাৰ

### বলি হৈছিল ব্লেকমেইলিঙৰ

ই-সংবাদ, ৩ জানুৱাৰীঃ ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত গুৱাহাটী মহানগৰীত ৰাজগড়ত সন্দেহজনক অৱস্থাত মৃতদেহ উদ্ধাৰ হোৱা পায়েল শইকীয়া শেষাংশ ২ পৃষ্ঠাত

### উন্মোচিত হ'ল 'সাহিত্য প্ৰজ্ঞা' শীৰ্ষক গ্ৰন্থ

## ডঃ দীনেশ বৈশ্যৰ ৭২ সংখ্যক জন্মদিন উদযাপন

ই-সংবাদ, ৩ জানুৱাৰীঃ জীৱনৰ ৭২টা বসন্ত গৰকিলে বিশিষ্ট চিন্তাবিদ, শিক্ষাবিদ, লেখক তথা 'ই-সংবাদ'ৰ শেষাংশ ৬ পৃষ্ঠাত



### অম্বাগাঁৱত মৃতদেহ উদ্ধাৰ

## ওদালগুৰিত ৰে'লে মহতিয়াই নিলে ৩ জনক

ই-সংবাদ, ওদালগুৰি ৩ জানুৱাৰীঃ আজি পুৱাৰ ভাগতেই ওদালগুৰি চহৰৰ নিকটৱৰ্তী অম্বাগাওঁত সংঘটিত ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যিকৰ পৰা জিলালৈ দীপাংক

পিছত এইবাৰ গোৱালপাৰা জিলাৰ সভাপতিৰ দায়িত্ব লাভ কৰিছে আছুৰ প্ৰাক্তন সভাপতিজনে। উল্লেখ্য যে, বিগত বৰ্ষৰ ২৮ জানুৱাৰীত আছুৰ পৰা পদত্যাগ কৰি ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিছিল বৰ্ষীয়ান আছু নেতাজনে। প্ৰণয় প্ৰাৰ্থীৰ আহ্বানক্ৰমে আছু ত্যাগ কৰি ধুমধামকৈ বিবাহপাশত আৱদ্ধ হৈ কিছুদিন ধৰি ৰাজ্যৰ বাহিৰত থকা দীপাংক নাথে এইবাৰ সক্ৰিয়ভাৱে ৰাজনীতিত জপিয়াই পৰিব। গোৱালপাৰা জিলাৰ সাংগঠনিক কাম-কাজ কৰিবলৈ বিজেপিয়ে নতুন দায়িত্ব দিছে দীপাংক নাথক। অকল কামেই নহয়, নিৰ্দিষ্ট কেইটামান চৰ্তও বান্ধি দিয়া হৈছে আছুৰ এসময়ৰ বিয়াগোম নেতাজনৰ প্ৰতি। চৰ্ত অনুসৰি তেওঁ কোনো নিৰ্বাচনত অৱতীৰ্ণ হ'ব নোৱাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কিছুদিন পূৰ্বে দলীয় সভাত এইবুলি ঘোষণা কৰিছিল যে জিলা আৰু মণ্ডলৰ সভাপতিসকলে প্ৰাৰ্থিত্ব লাভ কৰে। আন প্ৰাৰ্থীক জিকাবৰ বাবে তেওঁলোকে অহোপুৰুষাৰ্থ কৰিব আৰু দল পুনৰ ক্ষমতালৈ আহিলে তেওঁলোকক বিশেষভাৱে সংস্থাপিত কৰা হ'ব। ইফালে, দীপাংক নাথৰ একাংশ সমৰ্থকে এনে চৰ্ত মানি লোৱাৰ বাবে নাথৰ প্ৰতি খৰ্গহস্ত হৈ পৰিছে। কিয়নো প্ৰাক্তন আছুৰ এইসকল নেতা-কৰ্মীয়ে আশা কৰিছিল যে দীপাংক নাথে আছুত দপদপাই থকাৰ দৰে ভাৰতীয় জনতা পাৰ্টীটো এজন প্ৰভাৱশালী নেতা হৈ প্ৰাক্তন আছুৰ বিষয়ববীয়াসকলক ঠিকা-ঠুকলি আদি দি সহায় কৰিব পাৰিব। কিন্তু কেন্দ্ৰীয় সমিতিত নিজৰ স্থিতি সবল কৰিব নোৱাৰি এতিয়া জিলালৈ অধোনমিত পদত আহি দীপাংক নাথে সাংগঠনিক কাম-কাজ কৰিবলৈ বাধ্য হোৱাত প্ৰাক্তন আছুৰ এইসকল নেতা-কৰ্মী হতাশ হৈ পৰিছে। সাংবাদিকে দীপাংক নাথৰ পৰা প্ৰতিক্ৰিয়া জানিবলৈ বিচৰাত নাথে কোনো সদুত্তৰ দিয়া নাই আৰু দলে যি দায়িত্ব দিয়ে তাকেই পালন কৰিবলৈ বাধ্য বুলি প্ৰকাশ কৰিছে। অৱশ্যে আছুত থকা সময়ৰে পৰা দীপাংক নাথ এজন ধনৱন্ত লোক হিচাপে পৰিচয় লাভ কৰিছিল। বিভিন্ন কৰ্পৰেট হাউছৰ পৰা আছুৰ বেংক একাউণ্টত জমা হোৱা ধন প্ৰত্যক্ষভাৱে দীপাংক নাথৰ ব্যক্তিগত একাউণ্টলৈ সলনি হোৱাৰ কথাও সেইসময়ত চৰ্চা লাভ কৰিছিল। গুৱাহাটীৰ পাণবজাৰত থকা আছুৰ এপেক্স বেংকৰ একাউণ্ট নম্বৰটো পৰীক্ষা কৰিলেই এই সত্যাসত্য ওলাই পৰিব বুলি আছুৰ একাংশ নেতা-কৰ্মীয়ে সাংবাদিকক জানিবলৈ দিছিল। উল্লেখ্য যে, 'কা' আন্দোলনৰ সময়ত আঞ্চলিক ৰাজনৈতিক দল এটা খুলিব লাগে বুলি ঘোষণা কৰা দীপাংক নাথে সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈকে ধৰি বহুতক উচতনি দিছিল আৰু শেষ মুহূৰ্তত অসম জাতীয় পৰিষদ নামৰ ৰাজনৈতিক দলটো গঠন কৰি তেওঁ নিজেই মূৰ পোলোকা মাৰিছিল। জাতীয় পৰিষদৰ কেবাজনো নেতাই সেই সময়ত এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল আৰু দীপাংক নাথক প্ৰতাৰক আখ্যা দিছিল। সেই দীপাংক নাথৰ আজি অধোনমিত উত্তৰণ দেখি জাতীয় পৰিষদৰ একাংশ পূৰ্বৰ সতীৰ্থই ঠাট্টা-মস্কৰা কৰা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পায়েল কাণ্ডৰ নতুন মোৰ, দুজনকৈ

কাণ্ডই নতুন মোৰ লৈছে। এপাৰ্টমেন্টৰ ভাড়াঘৰত পায়েল শইকীয়া মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাৰ গোচৰত আজি আৰক্ষীয়ে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। ৰাজ খাউণ্ড আৰু মানৱজ্যোতি কোঁচ নামৰ দুজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেৰা কৰাত গোমৰ ফাক ওলাই পৰিছে। জানিব পৰা মতে, পায়েল শইকীয়াৰ প্ৰায় চাৰিমাহ পূৰ্বে বিবাহ বিচ্ছেদ হৈছিল। তাৰ পিছতে ঘৰৰ পৰা আতৰি বান্ধৱীৰ সৈতে চানমাৰি এলেকাৰ ৰাজগড়ত ভাড়াঘৰত আছিল। বিবাহ বিচ্ছেদৰ পিছতে বাৰত লগ পোৱা ৰাজ খাউণ্ডৰ সৈতে সম্পৰ্ক গঢ়ি উঠিছিল বুলি সন্দেহ কৰা হৈছে। কিয়নো ৰাজ খাউণ্ড প্ৰায়ে পায়েলৰ ভাড়াঘৰত আছিল। ওচৰ-পাজৰৰ লোকে ৰাজ খাউণ্ডক পায়েলৰ স্বামী বুলিয়েই জানিছিল। কিন্তু প্ৰকৃততে খাউণ্ডে পায়েলক বিয়া কৰোৱা নাছিল। ৰাজা খাণ্ডৰ সৈতে থকা অৱস্থাতে পায়েল অন্তঃসত্ত্বা হৈছিল যদিও জোৰ কৰি গৰ্ভপাত কৰা হৈছিল। পায়েলে ৰাজক বিয়া কৰাবলৈ বাৰে বাৰে কৈ আহিছিল যদিও বিভিন্ন অজুহাত দেখুৱাই বিয়া কৰা নাছিল। তাৰ পিছৰে পৰা ৰাজৰ সৈতে সম্পৰ্ক তিক্ত হৈছিল পায়েলৰ। ইপিনে পায়েলৰ মেনেজাৰ হিচাপে কাম কিছিল মানৱজ্যোতি কোঁচে। মানৱজ্যোতি কোঁচ আছিল পায়েলৰ পাতি লোৱা ভায়েক। মানৱজ্যোতি কোঁচেও পায়েলৰ প্ৰেমত পৰিছিল বুলি সন্দেহ কৰা হৈছে। ৰাজা খাউণ্ড আৰু মানৱজ্যোতি কোঁচৰ বাবে পায়েলে শেষত নিজকে শেষ কৰিবলৈ বাধ্য হোৱা বুলি আৰক্ষীয়ে সন্দেহ কৰা বুলি জানিব পৰা গৈছে। আত্মহত্যা কৰা বুলি সন্দেহ কৰা দিনটোত তথা মৃতদেহ উদ্ধাৰ হোৱা দিনটোত ৰাজ খাউণ্ড আৰু মানৱজ্যোতি কোঁচ দুয়োজনে পায়েলৰ ভাড়াঘৰলৈ আহিছিল। আৰক্ষীয়ে চিচিটিভিত সেই প্ৰমাণ পোৱাৰ লগতে দুয়োজনে পায়েলৰ কোঠাৰ দুৱাৰ ভাঙিছিল বুলি জানিব পৰা গৈছে। বাৰে বাৰে প্ৰতাৰিত হৈ পায়েলে আত্মহত্যা কৰাৰ সন্দেহ কৰা হৈছে। পায়েলৰ মৃতদেহ উদ্ধাৰৰ পিছতে চানমাৰী আৰক্ষীয়ে ১/২৫ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ ১০৮/৬৯/৬১(২)/৩৫১(২)(৩) ধাৰাত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছিল। ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত গুৱাহাটী মহানগৰীৰ ৰাজগড়ত পায়েলৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছিল। আন একাংশই আত্মহত্যা আন একাংশই হত্যা কৰাৰ সন্দেহ কৰিছিল। পায়েলৰ ঘৰ গুৱাহাটীৰ ছাত্ৰীবাৰীত যদিও পায়েলে চানমাৰি এলেকাৰ ৰাজগড়ত এগৰাকী বান্ধৱীৰ সৈতে ভাড়াঘৰত আছিল। কিন্তু সিদিনা পুৱাৰ ভাগত হঠাতে ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছিল মৃতদেহ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ওদালগুৰিত ৰে'লে মহতিয়াই নিলে

হয় চাঞ্চল্যকৰ ঘটনা। অঞ্চলটোৰ ৰেলপথত উদ্ধাৰ হয় তিনিটাকৈ ক্ষত-বিক্ষত মৃতদেহ। প্ৰাপ্ত খবৰ অনুসৰি, আজি পুৱাৰ ভাগতেই স্থানীয় লোকে হৰিশিঙা-ওদালগুৰি সংযোগী ৰেলপথৰ অম্বাগাওঁত কোচপাৰাৰ ৰেল লাইনত মানুহৰ মৃতদেহ সদৃশ সামগ্ৰী প্ৰত্যক্ষ কৰে। ইয়াৰ পাছত আন কেইবাগৰাকীও লোকে প্ৰত্যক্ষ কৰাত বিভিন্ন স্থানত ছেদেলি-ভেদেলি হৈ থকা অৱস্থাত তিনিজন লোকৰ শৰীৰৰ অৱয়ৱ প্ৰত্যক্ষ কৰাৰ লগতে এটা মুখৰ অৱয়ৱ প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতেই আৰক্ষী আৰু ৰেল বিভাগক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী আৰু ৰেল বিভাগৰ লোক উপস্থিত হৈ ৰেলপথটোৰ কেইৰাটাও স্থানত মুঠ তিনিজন লোকৰ মৃতদেহ থকাৰ কথা প্ৰত্যক্ষ কৰে। ইয়াৰোপৰি মৃতদেহৰ সমীপত মৃত অৱস্থাত প্ৰায় চাৰিটা কাকুৰা, এটা হাঁহৰ লগতে মৃত শহা পহু উদ্ধাৰ হয়। ইয়াৰ পাছতে সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যই বিৰাজ কৰে। মৃতদেহকেইটা ৰেলপথৰ পৰা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। বাতৰি প্ৰেৰণ কৰা মুহূৰ্তলৈ মৃতদেহকেইটা চিনাক্ত কৰিব পৰা হোৱা নাই। পুৱতি নিশা নামনিমুৱা লাচিত এক্সপ্ৰেছ ৰেলৰ খুন্দাতেই লোককেইজনৰ মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক পৰাণ

তৃতীয়টো দিনত অসমে হেৰুৱালে বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক ৰজত কমল বঁটা জয়ী পৰাণ বৰবৰুৱাক। ৮৫ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰিছে পৰাণ বৰবৰুৱাই। জানিব পৰা মতে, গুৱাহাটীৰ ঘৰত কালি নিশা হৃদৰোগত আক্ৰান্ত হৈছিল পৰাণ বৰবৰুৱা। পৰিয়ালে গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত ভৰ্তি কৰে যদিও নিশা প্ৰায় ১১ বজাত শেষ নিশ্বাস ত্যাগ কৰে। আজি বহু গুণমুগ্ধ, চলিচ্চিত্ৰ জগতৰ কেবাগৰাকী লোকৰ উপস্থিতিত তেখেতৰ শেষকৃত্য সম্পন্ন কৰা হয়। ১৯৩৯ চনৰ ১ ছেপ্টেম্বৰত যোৰহাট জিলাৰ সদৰত জন্মগ্ৰহণ কৰা পৰাণ বৰবৰুৱাই পঢ়ি থকাকালত ক্ৰীড়াবিদ হিচাপে জনাজাত আছিল। ফুটবলত ৰাজ্যৰ আগশাৰীৰ গলকিপাৰ আৰু ষাঠিৰ দশকত ক্ৰিকেটাৰ হিচাপে অসম ৰঞ্জী দলত স্থান পাই পশ্চিমবংগৰ বিৰুদ্ধে খেলাৰ সুবিধা পাইছিল। পিছলৈ চলচ্চিত্ৰৰ জগতত মনোনিৱেশ কৰি প্ৰযোজক হিচাপে কাম কৰিবলৈ আৰম্ভ কৰিছিল। নব্বৈৰ দশকৰ চৰ্চিত ধাৰাবাহিক ‘বৃকোদৰ বৰুৱাৰ বিয়া’ আৰু ১৯৮৪ চনৰ পুলক গগৈ পৰিচালিত ‘সুৰুয’ নামৰ চিনেমাখন তেওঁ প্ৰযোজনা কৰিছিল। ১৯৯৩ চনত ছাউণ্ড অফ দ্য ডায়িং কালাৰ্ছ আৰু ২০১০ চনত সূৰ্য হাজৰিকা পৰিচালিত শ্ৰীমন্ত শংকৰদেৱ, ইকোজ অফ ছানশ্বাইন তথ্যচিত্ৰ, ২০০৩ চনত দূৰদৰ্শনৰ ধাৰাবাহিক ‘মেজৰ চাহেব’, প্ৰযোজনা কৰিছিল। ধাৰাবাহিক, চলচ্চিত্ৰ, তথ্যচিত্ৰ প্ৰযোজনা কৰিছিল পৰাণ বৰবৰুৱাই। পৰাণ বৰবৰুৱাৰ মৃত্যুত ৰাজ্যত শোকৰ ছাঁ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জীৱ-জন্তুৰো উঠিছে খং! নিহত

ৰোধ কৰিব নোৱাৰাৰ ফলতে ২৪ ঘণ্টাত দুগৰাকীকৈ লোকে প্ৰাণ হেৰুৱাইছে। কাজিৰঙাত ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা অকলশৰীয়া গঁড়ে খেতিপথাৰতে আক্ৰমণ কৰাত নিহত হয় অমৰাম গণক নামৰ এজন লোক। আনহাতে কামৰূপ জিলাৰ চাংসাৰিত বনৰীয়া ম'হৰ আক্ৰমণত নিহত হৈছে লক্ষেশ্বৰী মুৰাৰী নামৰ মহিলা। উত্তৰ গুৱাহাটীৰ সমীপৰৱৰ্তী চাংসাৰিত ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথলৈ ওলাই আহিছিল এটা প্ৰকাণ্ড বনৰীয়া ম'হ। জাকৰ মাজৰ পৰা ফালি আহি জনাঞ্চলত প্ৰৱেশৰ কৰাত ৩১নং ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিৰ নলাত আৱদ্ধ হয়। বনৰীয়া ম'হটোৱে পুৱা প্ৰায় ৫ বজাৰ পৰা আৱদ্ধ হৈ পৰাত গাড়ীৰ শব্দ আৰু মানুহৰ সমাগম প্ৰত্যক্ষ কৰি ক্ৰোধিত হৈ বনৰীয়া ম'হটোৱো নলাৰ পৰা ওলাই আহি লক্ষেশ্বৰী মুৰাৰী নামৰ ৩৮ বছৰীয়া মহিলাকগৰাকীক আক্ৰমণ কৰে। আক্ৰমণৰ পিছতে মহিলাগৰাকীৰ মৃত্যু হয়। লক্ষেশ্বৰী মুৰাৰীৰ ঘৰ হৈছে সোণাপুৰত। চাংসাৰিৰ কাটামুৰত ভাড়াতীয়া হিচাপে থাকি এটা ভূজিয়া কোম্পানীত কাম কৰি আছিল। ম'হৰ আক্ৰমণত মহিলাগৰাকী নিহত হোৱাৰ খবৰ বিয়পি পৰাত অঞ্চলটোত তীব্ৰ আতংকৰ সৃষ্টি হয়। ঘটনাটো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমষ্টিত সংঘটিত হোৱাত মুখলজ্জা ঢাকিবলৈ বন বিভাগ সাৰ পায়। পুৱাৰে পৰা ম'হটোক পুনৰ পাহাৰলৈ খেদি পঠিওৱাৰ ব্যৱস্থা কৰিবলৈ সময় নোপোৱা বন বিভাগে মহিলাগৰাকীৰ মৃত্যুৰ পিছতে গাত তৎ নোহোৱা হয়। লগে লগে ম'হটোক স্থানান্তৰ কৰিবলৈ অভিযান আৰম্ভ কৰে। কেইবা ঘণ্টা জোৰা অভিযানৰ অন্তত ম'হটোক ট্ৰেংকুলাইজ কৰিবলৈ সক্ষম হয়। ম'হটোক গুৱাহাটী চিৰিয়াখানালৈ প্ৰেৰণ কৰা হয়। ইপিনে গোলাঘাট জিলাৰ কাজিৰঙাত গঁড়ৰ আক্ৰমণত খেতি পথাৰত কামত ব্যস্ত হৈ থকাৰ সময়তে আক্ৰমণৰ বলি হয় খেতিয়ক। কাজিৰঙাৰ কঁহৰাৰ ২নং মহৰপাৰাৰ খেতিয়ক অমৰাম গণকে পুৱাই খেতি পথাৰত কাম কৰাত ব্যস্ত আছিল। তেনে সময়তে খেতি পথাৰত বিচৰণ কৰি থকা এটা গঁড়ে আক্ৰমণ কৰাত অমৰাম গণক থিতাতে নহত হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩ নতুন ৰে'ল মুকলি বৈষ্ণৱৰ

বিশেষ অনুষ্ঠানত কেন্দ্ৰীয় ৰেল, তথ্য-সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি তিনিখন নতুন ৰে'ল উদ্বোধন কৰে। কেন্দ্ৰীয় ৰেল, তথ্য-সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে তিনিচুকীয়া-নাহৰলগুন-তিনিচুকীয়া এক্সপ্ৰেছ, গুৱাহাটী-নিউ বঙাইগাঁও-গুৱাহাটী যাত্ৰীবাহী ৰে'ল আৰু গুৱাহাটী-উত্তৰ লখিমপুৰ-গুৱাহাটী জনশতাব্দী এক্সপ্ৰেছৰ সেৱা আৰম্ভ কৰে। আজিৰ পৰা এই তিনিখন নতুন ৰে'লে অসমত সেৱা আগবঢ়াব। অনুষ্ঠানত উপস্থিত থাকি ৰে'ল সেৱা মুকলি কৰাৰ লগতে ভাৰ্চুৱেলি বিটিআৰৰ ৰাজধানী কোকৰাঝাৰত এফএম ৰেডিঅ' ট্ৰেন্সমিটাৰ, ৰাষ্ট্ৰীয় ইলেক্ট্ৰনিক্স আৰু তথ্য-প্ৰযুক্তি প্ৰতিষ্ঠানৰ শুভাৰম্ভণি আৰু তেতেলীয়াত উৰণীয়া সেঁতু মুকলি কৰে কেন্দ্ৰীয় ৰে'লমন্ত্ৰীগৰাকীয়ে। আজি অসমৰ বাবে এই সেৱাসমূহ মুকলি কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেবাগৰাকী মন্ত্ৰী, বিধায়কৰ উপস্তিতিত গুৱাহাটী ৰে'ল ষ্টেচনত বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত অসমৰ বাবে সেৱাসমূহ মুকলি কৰি অশ্বিনী বৈষ্ণৱে জাগীৰোডৰ ছেমি কণ্ডাক্টত প্ৰস্তুত কৰা ইলেক্ট্ৰনিক চীপ বিদেশী ৰাষ্ট্ৰলৈ আমদানি কৰা হ'ব বুলি কয়। মেড ইন অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলক প্ৰযুক্তিৰ হাব আৰু ‘নতুন ইঞ্জিন’ কৰা হ'ব। প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ মুকলি কৰি এইখন বিশ্ববিদ্যালয়ৰ জৰিয়তে অসমৰ যুৱক-যুৱতীসকল অধিক লাভান্বিত হ'ব বুলি কয় মন্ত্ৰী বৈষ্ণৱে। জাগীৰোডত নিৰ্মাণ হ'ব লগীয়া বিশ্ববিদ্যালয়ৰ কেম্পাছত যুৱক-যুৱতীসকলে প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিসমূহৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে অসমৰ যুৱক-যুৱতীলৈ আশাৰ ৰেঙণি কঢ়িয়াই আনিছে বুলি কয়। ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ দৃষ্টিভংগীক সাকাৰ ৰূপ প্ৰদান কৰি অসমত এনে এখন বিশ্ববিদ্যালয়ৰ নিৰ্মাণ কৰিবলৈ গৈ আছো যিখন বিশ্ববিদ্যালয়ে আমাৰ ল'ৰা-ছোৱালীক ছেমি কণ্ডাক্টৰৰ বিষয়ে শিকাব। কোৱাণ্টাম ফিজিক্সৰ বিষয়ে শিক্ষাদান কৰিব, আমাৰ শিক্ষাৰ্থীক এআইৰ বিষয়ে শিকাব। আজি জাগীৰোডত স্থাপন হ'বলৈ গৈ থকা নেইলেট বিশ্ববিদ্যালয়ে এক নতুন সূৰুয উদিত কৰিব। বৃহৎ স্বপ্ন সাকাৰ কৰাৰ সময় সমাগত। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ সম্পূৰ্ণকৰণে কঢ়িয়াব নতুন আশাৰ বতৰা। অসমত নিৰ্মিত ছেমিকণ্ডাক্টৰ চিপছ আমেৰিকা যুক্তৰাষ্ট্ৰৰ মটৰ গাড়ীত ব্যৱহৃত হ'ব। এয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সুদূৰ প্ৰসাৰী চিন্তাৰ ফচল। এই প্ৰকল্পস্থাপনৰ বাবে ৰাজ্যৰ কোনো দল তথা জাতীয় সংগঠনে স্মাৰকপত্ৰ দিয়া নাছিল, আন্দোলন কৰা নাছিল। জাতীয় দল-সংগঠনে চিন্তা কৰাৰ আগেয়ে প্ৰধানমন্ত্ৰীয়ে অসম তথা উত্তৰ-পূবৰ কথা ভাবি এই প্ৰকল্প ৰূপায়ণত গুৰুত্ব দিয়া বুলি কয় মুখ্যমন্ত্ৰীয়ে।

# দুৰ্ঘটনাত পতিত কৃষক মুক্তিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া

**ই-সংবাদ, ৩ জানুৱাৰীঃ** দুৰ্ঘটনাত পতিত হৈ আঘাতপ্ৰাপ্ত হৈছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া। কালি নিশা পথৰ দাঁতিত ফোন কথা পাতি থকাৰ সময়তে বাইকচালকে খুন্দা মৰাত বৰ্তমান গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক হাস্পতালত ভৰ্তি হৈ চিকিৎসা গ্ৰহণ কৰি আছে শইকীয়াই। জানিব পৰা মতে, গোলাঘাটৰ চাউদাং পথাৰত এখন সভাত অংশগ্ৰহণ কৰিবলৈ গৈছিল শইকীয়া। নিশা এঘৰত নিশাৰ আহাৰ গ্ৰহণ কৰিবলৈ গৈছিল। এটা ফোনকল অহাত ৰাজপথলৈ ওলাই আহিছিল। সেই সময়তে পিছফালৰ পৰা এখন মটৰ চাইকেলে খুন্দা মৰাত ৰাজপথত পৰি গৈশৰীৰৰ বিভিন্ন স্থানত আঘাত পোৱাত ততাতৈয়াকৈ হাস্পতালত ভৰ্তি কৰা হয় শইকীয়াক। প্ৰথমে স্থানীয় মেৰাপানী চিকিৎসালয়ত নিয় যদিও উন্নত চিকিৎসাৰ বাবে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। মটৰ চাইকেল চলাই অহা লোকজনে মদ্যপান কৰি অহাৰ সন্দেহ কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মৰিগাঁৱত ধৃত ১১ চাইবাৰ অপৰাধী

জিলাখনৰ বহুকেইটা স্থানত তীব্ৰ অভিযান চলাই ১১ টাকৈ দুধৰ্ষ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মৰিগাঁৱৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ নিৰ্দেশ মৰ্মে জিলাখনৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নেতৃত্বত যোৱা নিশাৰ পৰা আজি পুৱতি নিশালৈকে চাইবাৰ অপৰাধীৰ বিৰুদ্ধে চলোৱা তীব্ৰ অভিযানৰ জৰিয়তে উক্ত চাইবাৰ অপৰাধী কেইটাক আটক কৰাৰ লগতে বহুসংখ্যক ভুৱা চিম কাৰ্ড, আধাৰ কাৰ্ড, পেন কাৰ্ড, বেংকৰ এটিএম কাৰ্ড, পাচবুক সহ বহু নথি-পত্ৰ জব্দ কৰে। আৰক্ষী বিষয়া সমীৰণ বৈশ্যৰ নেতৃত্বত ১৩ টা সুসজ্জিত আৰক্ষীৰ দলে যোৱা নিশাৰ পৰা আজি পুৱতি নিশা পৰ্যন্ত মৰিগাঁও জিলাৰ মৈৰাবাৰী, লাহৰীঘাট, ভুৰাগাঁও আৰু মায়ঙৰ বিভিন্ন অঞ্চলত অভিযান চলাইছিল। এই অভিযানত জিলাখনৰ মৈৰাবাৰীৰ পৰা ইনামুল হক, আব্দুল আজিজ, লাহৰীঘাটৰ পৰা হাচানুজ জামান, মোবাৰক আলী, নৰচেদ আলী, আজিজুল হক, মফিদুল ইছলাম, আশ্ৰাফুল ইছলাম, আবু বক্কৰ চাদ্দিক, ফাইজুদ্দিন আৰু মায়ঙ পৰা আতাবুৰ ৰহমান নামৰ এই কুখ্যাত চাইবাৰ অপৰাধী কেইটাক আটক কৰে। অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ পৰা জানিব পৰা মতে ধৃত চাইবাৰ অপৰাধী কেইটাৰ ভিতৰৰে ৯ টাই ভুৱা চিম, আধাৰ, পেন কাৰ্ড আদি নথি-পত্ৰ ব্যৱহাৰ কৰি আদিত্য বিৰলা ফাইনেন্স কোম্পানীৰ পৰা বহিঃৰাজ্যৰ লোকৰ নামত অনলাইনযোগে ঋণ লৈ প্ৰায় ২০ কোটি টকা আত্মসাৎ কৰিছিল। আন দুটাই এক্সিচ বেংকৰ পৰা একে পদ্ধতিৰে ধন সৰকাইছিল। বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান কেইটাৰ পৰা পোৱা অভিযোগৰ ভিত্তিত আৰক্ষীয়ে এই অভিযান চলাইছিল। ধৃত এই চাইবাৰ অপৰাধীৰ দলটোত এজন শিক্ষক থকাৰ লগতে দুজন চাৰিমাহ পূৰ্বে কাৰাগাৰৰ পৰা ওলাই অহা চাইবাৰ অপৰাধী আৰু এজন ছাগলী বেপাৰীও আছে। আৰক্ষীয় ধৃত এই অপৰাধী গণৰ পৰা অধিক তথ্য লাভৰ বাবে তদন্ত আৰু সোধ পোচ অব্যাহত ৰাখিছে। উল্লেখ্য যে বিগত বৰ্ষত মৰিগাঁও আৰক্ষীয়ে জিলাখনৰ মৈৰাবাৰীৰ, ভুৰাগাঁও আদি অঞ্চলত চাইবাৰ অপৰাধীৰ বিৰুদ্ধে তীব্ৰতৰ অভিযান চলাই ২২৬ টাকৈ কুখ্যাত চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চীনত ক'ভিড-১৯ৰ দৰে অন্য এক

আতংক মানুহৰ মাজৰ পৰা মাৰ নৌযাওতেই এইবাৰ চীনত শক্তি প্ৰদৰ্শন কৰিছে আন এক ভয়ংকৰ ভাইৰাছে। শেহতীয়াকৈ ছ'চিয়েল মিডিয়াত চীনত হিউমেন মেটাপনিউমোভাইৰাছ বা চমুকৈ এইচ এম পি ভি নামৰ এবিধ ভাইৰাছ তীব্ৰ গতিত বিয়পি পৰাৰ খবৰ প্ৰচাৰ হৈছে। বিশেষজ্ঞসকলৰ মতে, চীনত মূলতঃ শিশু আৰু বৃদ্ধসকল এই ভাইৰাছৰ বলি হৈছে। এই ভাইৰাছক লৈ উদ্বেগজনক তথ্যকে ধৰি বিভিন্ন পোষ্ট ছ'চিয়েল মিডিয়াত প্ৰচাৰ হৈ আহিছে। ইয়াৰ লগে লগে পুনৰ এবাৰ আতংকৰ সৃষ্টি হৈছে সমগ্ৰ বিশ্বত। ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰা ভিডিঅ' আৰু পোষ্টসমূহৰ মতে, এই ভাইৰাছৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত চীনত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছে আৰু চিকিৎসালয়সমূহতো ৰোগীৰ অতিমাত্ৰা ভিৰ বাঢ়িবলৈ আৰম্ভ কৰিছে। অৱশ্যে এই দাবীৰ সত্যতা আনুষ্ঠানিকভাৱে নিশ্চিত হোৱা নাই। এই ভাইৰাছে প্ৰধানকৈ হাওঁফাওঁক আক্ৰমণ কৰি নিউমোনিয়া আৰু 'শ্বেত হাওঁফাওঁ' নামৰ এক প্ৰকাৰৰ গুৰুতৰ অৱস্থাৰ সৃষ্টি কৰা বুলি দাবী কৰা হৈছে। খবৰ অনুসৰি, এই ভাইৰাছৰ লক্ষণ সাধাৰণ চৰ্দিৰ দৰে যদিও ইয়াৰ সংক্ৰমণ শিশু আৰু বৃদ্ধৰ বাবে মাৰাত্মক হ'ব পাৰে। তদুপৰি ৰোগ প্ৰতিৰোধ ক্ষমতা কম থকাসকলৰো গুৰুতৰভাৱে অসুস্থ হোৱাৰ আশংকা বৃদ্ধি পায়। এনে পৰিস্থিতিত শীতকালতো এই ভাইৰাছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাব পাৰে বুলি আশংকা প্ৰকাশ পাইছে। কেৱল এইচ এম পি ভিৰ দ্বাৰা মানুহ সংক্ৰমিত হোৱাই নহয়, একে সময়তে ইনফ্লুৱেঞ্জা এ আৰু মাইক'প্লাজমা নিউমোনিয়াৰো সংক্ৰমণ ঘটিছে। অন্যহাতে এই সময়ছোৱাত একাংশ লোক পুনৰ আক্ৰান্ত হৈছে ক'ৰনা ভাইৰাছত। চীনক লৈ প্ৰচাৰ হোৱা এই খবৰে সমগ্ৰ বিশ্বতে পুনৰ এবাৰ আতংকৰ সৃষ্টি কৰিছে।

# বোকাজান শাখা সাহিত্য সভাৰ উদ্যোগত অসম ভিত্তিত সাহিত্য প্ৰতিযোগিতা

**ই-সংবাদ, বোকাজান, ২ জানুৱাৰীঃ** প্ৰকৃতিৰ ধ্বংসৰ ভয়াবহতা আৰু জীৱ-জন্তুৰ সুৰক্ষাৰ প্ৰয়োজনীয়তাক মূল বিষয় হিচাপে লৈ পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য ৰক্ষাৰ বাবে নৱ-প্ৰজন্মক সচেতন কৰাৰ লক্ষ্যৰে অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা বোকাজান সাহিত্য সভাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সদৌ অসম ভিত্তিত কবিতা, চুটি গল্প আৰু প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পঞ্চমৰ পৰা অষ্টম শ্ৰেণীলৈ "ক" শাখা আৰু নৱম-দশম শ্ৰেণীক "খ" শাখা হিচাপে ধৰি আয়োজিত প্ৰতিযোগিতাৰ দুয়োটা শাখাৰ কবিতা আৰু গল্পৰ বিষয় "প্ৰকৃতিৰ দান"। আনহাতে, দুয়োটা শাখাৰ প্ৰবন্ধৰ বিষয় "জীৱ-জন্তুৰ প্ৰতি আমাৰ কৰ্তব্য আৰু দায়িত্ব"। কবিতা ১৫-২০ শাৰীৰ ভিতৰত লগতে গল্প আৰু প্ৰবন্ধ ৫০০ ৰ পৰা ২০০০ শব্দৰ ভিতৰত লিখা হব লাগিব। একেগৰাকী প্ৰতিযোগীয়ে কবিতা, গল্প, প্ৰবন্ধ তিনিওটা বিভাগতে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতালৈ পঠোৱা কবিতা, গল্প বা প্ৰবন্ধৰ আৰম্ভণিতে (ওপৰত) "প্ৰতিযোগিতাৰ বাবে" বুলি লিখিব লাগিব আৰু তলত (শেষত) নিজৰ নাম, বয়স, শ্ৰেণী, ঠিকনা, ফোন নম্বৰ আদি লিখিব লাগিব। দুয়োটা শাখাৰে প্ৰতিটো বিভাগৰে শ্ৰেষ্ঠ তিনিগৰাকীকৈ প্ৰতিযোগীক নগদ ধন, মান-পত্ৰ আৰু কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হ'ব। উল্লেখ্য যে, অহা ২০২৫ চনৰ মাৰ্চ মাহৰ শেষৰফালে অনুষ্ঠিত হবলগীয়া বোকাজান সাহিত্য সভাৰ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিবেশনত বঁটা সমুহ প্ৰদান কৰা হব বুলি বোকাজান স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি-সম্পাদক ক্ৰমে সূৰ্য শইকীয়া আৰু প্ৰাণদ্বীপ চেতিয়াই জানিবলৈ দিয়ে। গল্প, কবিতা, প্ৰবন্ধ আদি অহা ৩১ জানুৱাৰীৰ ভিতৰত পোৱাকৈ ডাকযোগে অথবা কোৰিয়াৰযোগে পঠিয়াব লাগিব। প্ৰাণদ্বীপ চেতিয়া, সম্পাদক, বোকাজান সাহিত্য সভা ডাকঃ শুকানজান, পিনঃ ৭৮২৪৮০, জিলাঃ কাৰ্বি আংলং (অসম), দুৰভাষ নম্বৰঃ ৭০০২৭৫২৪৯৫।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উৰুখা পজাত দিন কটাইছে বিষ্ণুৰাভা

জিলাৰ কাকপথাৰৰ কাচিজান গাঁৱৰ নৃত্য পটিয়সী দুৰ্লভা মৰাণৰ খবৰ লওঁতা আজি কোনো নাই। ১৯৭৩ চনত চান্দমাৰী বিহুতলীৰ পৰা শ্ৰেষ্ঠ বিহু নাচনী, ১৯৭৪ চনত উজান বজাৰ বিহুতলীৰ পৰা বিহু কুঁৱৰী আৰু ১৯৭৫ চনত ভৰলুমুখ বিহুতলীৰ পৰা বিহু সুন্দৰী খিতাপ অৰ্জন কৰি স্বৰ্ণ পদক অৰ্জন কৰা ষাঠী ঊৰ্ধৰ ৰাজ্যৰ বিশিষ্টা নৃত্য পটিয়সী দুৰ্লভা মৰাণে ধীৰ স্থিৰ নাচোন ভঙ্গীৰ লয়লাসেৰে, কোনো কৃত্ৰিম ভঙ্গীমা বা মুদ্ৰাৰ অবিহনে গাঁৱৰ নিভাঁজ ভঙ্গীমাৰ ৰূপটো দৰ্শকৰ আগত দাঙি ধৰিছিল। কোনো ধৰণৰ আনুষ্ঠানিক প্ৰশিক্ষণ নোহোৱাকৈয়ে মৰাণ বিহুৰ নাচোন ভঙ্গীৰ ঠাঁচত বিহু নাচত তথা পৰম্পৰাগত নাচোন ভংগীমাৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে বিহু নাচ প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হোৱা অসম গৌৰৱ দুৰ্লভা মৰাণক ১৯৭৫ চনত ভৰলুমুখ বিহু সন্মিলনত তেখেতৰ অনন্য বিহু নাচ উপভোগ কৰি গণশিল্পী হেমাংগ বিশ্বাসে তেওঁক "বনৰীয়া ফুল" বুলি কৈছিল। কবি দেৱকান্ত বৰুৱাই এবাৰ "এইজনী মৰাণ গাভৰু " বুলি চিঞৰি দিছিল। ১৯৯১ চনত ডুমডুমাত অনুষ্ঠিত এখন সভাৰ পৰা শিল্পী বঁটা গ্ৰহণ কৰাৰ সময়ত সেইসময়ৰ তিনিচুকীয়া জিলাৰ উপায়ুক্ত বীৰেন্দ্ৰ কুমাৰ গোহাঁইয়ে ভাষণ প্ৰসংগত দুৰ্লভা মৰাণক "স্বভাৱ শিল্পী" বুলি সম্বোধন কৰিছিল, যিবোৰ স্মৃতিয়ে আজিও এই গৰাকী বিশিষ্টা নৃত্য পটিয়সী দুৰ্লভা মৰাণক আজিও আমনি কৰে। কংগ্ৰেছ মহাসভাৰ এক সাংস্কৃতিক অনুষ্ঠানত দুৰ্লভা মৰাণৰ বিহু নাচ দেখি তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে দুৰ্লভা মৰাণৰ কাষলৈ আহি মূৰত হাত ফুৰাই দি আশীৰ্বাদ দিয়াৰ দৃশ্য এতিয়াও তেখেতৰ দুচকুত ধৰা দিয়েহি। দুৰ্লভা মৰাণৰ ভাষাৰে, "মৰাণ সমাজখন আছিল বিহুৱলীয়া। চেনেহৰ বিহুটিক সকলোৱে অন্তৰৰ পৰা ভাল পাইছিল। শ্ৰদ্ধা কৰিছিল। ডেকা-গাভৰুৱে বিহু খোলাত বিহুত অংশগ্ৰহণ কৰাটো বাধ্যতামূলক আছিল। কিন্তু সমাজৰ একাংশ লোকে বাহিৰত বিহু প্ৰদৰ্শন কৰি ফুৰাটো ভাল নাপাইছিল। আমাৰ বিহুখনক বাহিৰলৈ উলিয়াই নিয়াৰ ক্ষেত্ৰত বহুত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিলো। দেউতা স্বৰ্গীয় শুক্ৰধৰ মৰাণ আৰু সংস্কৃতিপ্ৰেমী তথা বহল মনৰ অধিকাৰী স্বৰ্গীয়া ধনীতা মৰাণৰ প্ৰেৰণাৰ বলতেই বিহু আখৰা কৰি সমাজৰ বাহিৰত অৰ্থাৎ গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন ঠাইত বিহু প্ৰদৰ্শন কৰিবলৈ সক্ষম হলোঁ।" গাঁৱৰ বোকা-পানী গচকি, ধূলি-বালিৰে উমলি এক বিশুদ্ধ গাঁৱলীয়া পৰিৱেশত ডাঙৰ-দীঘল হোৱা দুৰ্লভা মৰাণৰ ককায়েক গোলোক মৰাণ (শিল্পী পেঞ্চনাৰ) ৰ উদ্যোগত গঠন হোৱা গাঁৱৰ বিহু দলটিৰ ঢোলৰ চাপৰ, পেঁপাৰ মাত আৰু বিহু গীতৰ তালে-তালে নিজৰ আকৰ্ষণীয় লয়লাস তথা ভংগীমাৰে বিহু নাচ প্ৰদৰ্শন কৰি ১৯৭৩ চনত চান্দমাৰী বিহুতলীত শ্ৰেষ্ঠা বিহু নাচনীৰ খিতাপ অৰ্জন কৰি স্বৰ্ণ পদক লাভ কৰা দুৰ্লভা মৰাণে সত্তৰ দশকতেই অসমৰ সাংস্কৃতিক জগতৰ দ্বিগজসকলৰ সান্নিধ্য লাভ কৰাৰ সুযোগ লাভ কৰিছিল। ১৯৯০ চনত অসম চৰকাৰৰ এককালীন শিল্পী সাহায্য, ১৯৯৩ চনত অসম চৰকাৰৰ আজীৱন শিল্পী পেঞ্চন লাভ কৰিবলৈ সক্ষম হয়। ২০১১ চনত অসম চৰকাৰৰ "বিষ্ণু ৰাভা বঁটা"ৰে সন্মানিত হোৱা দুৰ্লভা মৰাণ আজিৰ তাৰিখত সম্পূৰ্ণ উপেক্ষিত। দুৰ্লভা মৰাণৰ খবৰ ল'বলৈ আজিৰ তাৰিখত কাৰোৱে আহৰি নাই। চৰকাৰে শিল্পী পেঞ্চনৰ নামত সামান্য টকাকেইটা দিয়াৰ বাহিৰে এক প্ৰকাৰ যেন পাহৰিয়েই গ'ল এইগৰাকী বিশিষ্টা নৃত্য পটিয়সীক। উৰুখা পজাতেই দিন অতিবাহিত কৰা দুৰ্লভা মৰাণে সত্তৰ-আশী দশকতেই লাভ কৰা প্ৰশংসা-পত্ৰ, ট্ৰফী, স্মাৰক আদিবোৰ সংৰক্ষণ কৰি ৰাখিবলৈ উৰুখা পজাটিত উপযুক্ত আলমাৰি তথা সংৰক্ষণ ব্যৱস্থাৰ অভাৱত উৰলি যোৱাৰ উপক্ৰম হৈছে। বহু প্ৰয়োজনীয় আহিলা পাতি, নথি-পত্ৰ, প্ৰশস্তি পত্ৰ আদি নষ্ট হৈ যোৱা বুলিব পাৰি। দৰিদ্ৰতাই কোঙা কৰা দুৰ্লভা মৰাণৰ জ্যেষ্ঠ পুত্ৰৰ চিকিৎসাৰ ক্ষেত্ৰত ৰাইজৰ দান-বৰঙণিৰ লগতে অসমৰ বিভিন্ন ঠাইৰ বিভিন্ন জনৰ ওচৰত দান-পাত্ৰ বিচৰাৰ কথাও জানিবলৈ দিয়ে বিশিষ্টা নৃত্য পটিয়সীগৰাকীয়ে। সম্প্ৰতি বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেৰে জীৱন অতিবাহিত কৰি অহা দুৰ্লভা মৰাণে কৃষি কৰ্মকেই জীৱিকাৰ সম্বল হিচাপে লৈ জীৱন অতিবাহিত কৰা বুলিব পাৰি। চৰম দাৰিদ্ৰতাৰ মাজেৰে জীৱন অতিবাহিত কৰা এইগৰাকী বিশিষ্ট শিল্পীক আজিৰ তাৰিখত এটা সংগ্ৰহালয়ৰ বাৰুকৈয়ে প্ৰয়োজন, লগতে প্ৰয়োজন অকণমান সহায়-সহযোগিতা। আজিৰ বিহু ১৯৭৩ চনত দেখা বিহুৰ পৰা বহু যোজন আঁতৰত। আজিৰ বিহু আধুনিকতাৰ বিহু। অসম গৌৰৱ হ'ব নোৱাৰো। কিন্তু অসমৰ গৌৰৱ নিশ্চয় হ'ব পাৰো বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰা দুৰ্লভা মৰাণৰ দৰে স্বভাৱসুলভ শিল্পীৰ খবৰ লওঁতাৰ অভাৱৰ কথাটোৱে শিল্পীগৰাকীক বাৰুকৈয়ে আমনি কৰিছে। এতিয়া শিল্পীগৰাকীক প্ৰয়োজন ৰাইজ আৰু ৰজাঘৰৰ সাহসৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিদ্যালয়ত হ্ৰাস ছাত্ৰ-ছাত্ৰী

সময়ছোৱাত ছাত্ৰীৰ সংখ্যা ১৬ লাখ হ্ৰাস পোৱাৰ বিপৰীতে ল'ৰাৰ সংখ্যা ২১ লাখ হ্ৰাস পাইছে। শিক্ষা মন্ত্ৰালয়ৰ ইউডিআইএছইৰ তথ্য অনুসৰি, ২০২৩-২৪ বৰ্ষত দেশৰ ভিতৰতে বিগত বছৰৰ তুলনাত ৩৭ লাখ কম শিক্ষাৰ্থীয়ে বিদ্যালয়ত নামভৰ্তি গ্ৰহণ কৰিছে।
ইউডিআইএছই প্লাছ হৈছে এক তথ্য সংগ্ৰহৰ মঞ্চ, যাৰ জৰিয়তে শিক্ষা মন্ত্ৰালয়ে সমগ্ৰ দেশৰ পৰা বিদ্যালয়ৰ শিক্ষাৰ তথ্য সংগ্ৰহ কৰি আহিছে। ইউডিএছইৰ তথ্য অনুসৰি ২০২২-২৩ বৰ্ষত ২৫.১৭ কোটি ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰাৰ বিপৰীতে ২০২৩-২৪ বৰ্ষত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ২৪.৮০ কোটি।
এইদৰে পৰ্যালোচনাধীন সময়ছোৱাত নামভৰ্তি কৰা ছাত্ৰীৰ সংখ্যা ১৬ লাখ হ্ৰাস পাইছে। একে সময়তে নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২১ লাখ হ্ৰাস পাইছে। তথ্য অনুসৰি বিদ্যালয়ত মুঠ নামভৰ্তিৰ ২০ শতাংশ সংখ্যালঘু। নামভৰ্তি কৰা সংখ্যালঘুসকলৰ ভিতৰত ৭৯.৬ শতাংশ মুছলমান, ১০ শতাংশ খ্ৰীষ্টান, ৬.৯ শতাংশ শিখ, ২.২ শতাংশ বৌদ্ধ, ১.৩ শতাংশ জৈন আৰু ০.১ শতাংশ পাৰ্চী। আনহাতে, ৰাষ্ট্ৰীয় পৰ্যায়ত ইউডিআইএছই প্লাছত পঞ্জীয়ন কৰা ২৬.৯ শতাংশ ছাত্ৰ-ছাত্ৰী সাধাৰণ শ্ৰেণীৰ। আনহাতে ১৮ শতাংশ ছাত্ৰ-ছাত্ৰী অনুসূচিত জাতিৰ ছাত্ৰ। অনুসূচিত জনজাতি বিভাগৰ ৯.৯ শতাংশ আৰু অন্যান্য পিছপৰা শ্ৰেণী বিভাগৰ ৪৫.২ শতাংশ ছাত্ৰ-ছাত্ৰী। এই তথ্য ২০২১-২২ চনলৈকে সংগ্ৰহ কৰা বিদ্যালয়ভিত্তিক একত্ৰিত তথ্যৰ পৰা পৃথক। শিক্ষা মন্ত্ৰণালয়ৰ উচ্চ পদস্থ বিষয়াসকলে কয় যে তেওঁলোকৰ লক্ষ্য হৈছে ২০৩০ চনৰ ভিতৰত ড্ৰপআউট হ্ৰাস কৰা আৰু সকলো স্তৰতে শিক্ষা প্ৰদান কৰা। প্ৰতিবেদনত লগতে কোৱা হৈছে যে উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, অসম, ওড়িশা, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, উত্তৰাখণ্ড আৰু ৰাজস্থানৰ দৰে ৰাজ্যত বিদ্যালয়, শিক্ষক আৰু নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ উপলব্ধতা ভিন্ন নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ শতাংশ, অৰ্থাৎ উপলব্ধ বিদ্যালয়সমূহৰ ব্যৱহাৰ কম। তেলেংগানা, পশ্চিম বংগ, হাৰিয়ানা, গুজৰাট, মহাৰাষ্ট্ৰ, তামিলনাডু, পঞ্জাৱ, দিল্লী আৰু বিহাৰৰ দৰে ৰাজ্যত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ উপলব্ধ বিদ্যালয়ৰ শতকৰা হাৰ যথেষ্ট কম বুলি প্ৰতিবেদনত কোৱা হৈছে।

# কোকৰাঝাৰত দুৰ্ঘটনাত পতিত হৈ নৱবিবাহিত যুৱকৰ মৃত্যু

**ই-সংবাদ, কোকৰাঝাৰ, ৩ জানুৱাৰীঃ** কোকৰাঝাৰ সদৰ চহৰৰ মাজমজিয়াৰ অভাৰব্ৰীজত কালি নিশা সংঘটিত হোৱা এক ভয়ংকৰ মটৰচাইকেল দুৰ্ঘটনাত অভি ৰয় নামৰ এগৰাকী যুৱক থিতাতে নিহত হোৱাৰ লগতে আৰোহী সুভম ৰয় নামৰ আন এগৰাকী যুৱক গুৰুতৰভাৱে আহত হয়। মাত্ৰ ২৩ দিন পূৰ্বে অৰ্থাৎ যোৱা ১০ ডিচেম্বৰত বিবাহপাশত আবদ্ধ হোৱা অভি ৰায়ৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰিছে। নিহত যুৱকজন কোকৰাঝাৰ চহৰৰ শান্তিনগৰ বিবেকানন্দ ৰোড নিবাসী আছিল বুলি জানিব পৰা গৈছে। আনহাতে দুৰ্ঘটনাটোত আহত হোৱা সুভম ৰয় বৰ্তমান বঙাইগাঁও লৰাৰ আসাম হস্পিতালত চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি মতে যোৱানিশা অভি ৰয় নামৰ যুৱকজনে নিজৰ এ এছ ১৬ এফ ৫৭৪২ নম্বৰৰ মটৰচাইকেলেৰে আহি থকা সময়তে দুৰ্ঘটনাত পতিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডঃ দীনেশ বৈশ্যৰ ৭২ সংখ্যক জন্মদিন

মুখ্য সম্পাদক ডঃ দীনেশ বৈশ্যই। লগতে সাহিত্যিক হিচাপেও ৫০ বছৰ সম্পূৰ্ণ কৰিলে বিশিষ্ট চিন্তাবিদগৰাকীয়ে। এই উপলক্ষে আজি উজানবজাৰৰ হোটেল ব্লু-মুনত তেওঁৰ অনুগামী দীপক গগৈৰ তত্বাৱধনাত অনুষ্ঠিত হয় এক বিশেষ অনুষ্ঠানৰ। অনুষ্ঠানটোত ডঃ বৈশ্যৰ একাংশ অনুগামী তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে যুগুত কৰি উলিওৱা আৰু অবাক প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা 'সাহিত্য প্ৰজ্ঞা' শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ডঃ হৰকুমাৰ নাথে সম্পাদনা কৰা গ্ৰন্থখন উন্মোচন কৰে আজিৰ অনুষ্ঠানটোত বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰা অসম ডনবস্ক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ফাদাৰ ডঃ যোছ পলেলি, ৰামকৃষ্ণ মিচনৰ স্বামী অজতানন্দ, বিশিষ্ট শল্য চিকিৎসক ডাঃ ভৱেশ কুমাৰ দাস আৰু প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত ডঃ যোছ পলেলিয়ে ডঃ বৈশ্যক ওপজা দিনৰ ওলগ জনোৱাৰ লগতে সাহিত্য জীৱনৰ ৰূপালী জয়ন্তী অতিক্ৰম কৰাত অভিনন্দন জ্ঞাপন কৰে আৰু অনাগত দিনত আগতকৈয়ো দুগুণ উৎসাহেৰে লিখি যাবলৈ আহ্বান জনায়। আন এগৰাকী উন্মোচক ৰামকৃষ্ণ মিচনৰ স্বামী অজতানন্দই ডঃ বৈশ্যৰ কলমৰ পৰা আহি থকা দিনবোৰত পাঠকৰ মন-মগজু উদ্বেলিত কৰা লেখা নিগৰি ওলাব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি বিশিষ্ট সাংবাদিক নিতুমণি শইকীয়াই ডঃ বৈশ্যই অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ কথা উল্লেখ কৰে। ডঃ বৈশ্যক নিজৰ অঘোষিত অভিভাৱক আখ্যা দি সাংবাদিক শইকীয়াই কয় যে অসমত আঙুলিৰ মূৰত গণিব পৰা সাহসেৰে কথা কোৱা লোকসকলৰ অন্যতম হৈছে ডঃ দীনেশ বৈশ্য। "বহুত অধ্যক্ষ, প্ৰাক্তন অধ্যক্ষ আছে। কিন্তু খোলাকৈ কথা ক'বলৈ ভয় কৰে। ডঃ বৈশ্য ছাৰ খোলাকৈ কথা ক'বলৈ ভয় নকৰা মানুহ। সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মন-মগজু আজিও বৈশ্য ছাৰে অধিকাৰ কৰি থাকিবলৈ সমৰ্থ হৈছে। ডঃ বৈশ্যৰ ছাৰ নীতিত থকা মানুহ। নীতিত থকা মানুহৰ স্থিতি থাকে। নীতি আৰু স্থিতি আছে বাবেই ডঃ বৈশ্য ছাৰক আজিও মানুহে শ্ৰদ্ধা আৰু সমীহ দুয়োটাই কৰে।"-ডঃ দীনেশ্য বৈশ্যক জন্মদিনৰ ওলগ জনাই এইদৰে কয় প্ৰতিদিন টাইমৰ মুখ্য সম্পাদকগৰাকীয়ে। আজিৰ বিশেষ দিনটোত একালৰ শিক্ষাৰ্থী, অনুগামী আৰু গুণমুগ্ধসকলৰ সমুখত ভাষণ প্ৰদান কৰি ডঃ দীনেশ বৈশ্যই এৰি অহা দিনৰ কিছু কথা ৰোমন্থন কৰে। লগতে নিজৰ অভিজ্ঞতা আৰু ভৱিষ্যত কৰ্মপন্থা সম্পৰ্কেও ভাষণত উল্লেখ কৰে। সম্প্ৰতি কিতাপ পঢ়া লোকৰ সংখ্যা হ্ৰাস পাইছে বুলি আক্ষেপ কৰি ডঃ বৈশ্যই কয় যে গ্ৰন্থমেলাত গ্ৰন্থ বিক্ৰীৰ যি সংখ্যা দিয়া হয় সেই সংখ্যা আচলতে সন্দেহজনক। অতীত ৰোমন্থন কৰি তেওঁ কয়, "আমি গাঁৱলীয়া মানুহ। গণিতত ফেইল কৰিছিলো। বিজ্ঞানৰ বেয়া ছাত্ৰ আছিলো। মই ভাবিছিলো গান, কবিতা লিখিম। মই চোকা ছাত্ৰ নহয়। পথাৰত, খালত চেপা-চোহৰা পাতিছিলো, মাছ মাৰিছিলো। হাল বাইছিলো, গৰু চৰাইছিলো। কোদাল মাৰিবলৈকো শিকিছিলো। এতিয়া এইবোৰ কাম মই আনকো শিকাইছো। গাঁও এতিয়া টাউন হ'ল। সংস্কৃতি নোহোৱা হ'ল।" নিজৰ ক্ষতি হ'লেও আদৰ্শক খামুছি ধৰি থকাৰ কথা উল্লেখ কৰি তেওঁ কয়, "মোৰ ৰুমমেট বিধায়ক, মন্ত্ৰী হৈছিল। কিন্তু মই সমালোচনা নকৰাকৈ থকা নাছিলো। মই অগপ, কংগ্ৰেছ, বিজেপি সকলোকে সমালোচনা কৰিছো। ভুল দেখিলে, জনতাৰ স্বাৰ্থ বিঘ্নিত হোৱা দেখিলে সকলোকে নিৰ্ভীকভাৱে সমালোচনা কৰি আহিছো।" মানুহে মানুহৰ বাবে মানুহ হৈ থাকিব লাগে বুলিও তেওঁ আজিৰ বিশেষ দিনটোত উল্লেখ কৰে। উল্লেখ্য যে, আজিৰ এই অনুষ্ঠানটোতে ডঃ দীনেশ বৈশ্যৰ বন্ধু তথা বিশিষ্ট চিকিৎসক ডাঃ ভৱেশ কুমাৰ দাসৰ 'জীৱনৰ সাধু' শীৰ্ষক গ্ৰন্থখনো একেলগে উন্মোচন কৰা হয়। ডঃ বৈশ্যৰ দৰে শিক্ষাবিদ আৰু সাহিত্যিকৰ জন্মদিনটোত নিজৰ গ্ৰন্থ উন্মোচন কৰিবলৈ পাই ধন্য হৈ পৰা বুলি মন্তব্য কৰে ডাঃ ভৱেশ কুমাৰ দাসে। ডঃ দীনেশ বৈশ্যৰ সহধৰ্মিনী ৰাণু বৈশ্যই গীত গাই শুভাৰম্ভ কৰা আজিৰ বিশেষ অনুষ্ঠানটোৰ আঁত ধৰে কবি কমল কুমাৰ মেধিয়ে।

# আকৌ উজনি! চুমি, তাৰ্কিক, বিশালৰ ঠিকনা সলনি

**ই-সংবাদ, ৩ জানুৱাৰীঃ** ১৯ নৱেম্বৰত বহু বিতৰ্কিত নৃত্যশিল্পী চুমি বৰাৰ জামিন নাকচ কৰিছিল গুৱাহাটীৰ চিবিআই আদালতে। গুৱাহাটীৰ চিবিআইৰ বিশেষ ন্যায়াধীশৰ আদালতে জামিন আবেদনক লৈ শুনানিৰ অন্তত জামিন নাকচ কৰাৰ লগতে বৰ্তমানেই জামিন লাভ কৰা নাই চুমি বৰাৰ স্বামী তাৰ্কিক বৰা আৰু পাতিলোৱা ভায়েক বিশাল ফুকন। বৰ্তমান গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত আছিল যদিও ঠিকনা সলনি হ'ব চুমি বৰা, তাৰ্কিক বৰা আৰু বিশাল ফুকনৰ। চুমি, বিশাল আৰু তাৰ্কিকৰ নতুন ঠিকনা হ'ব ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰ। ডিব্ৰুগড় কাৰাগাৰলৈ স্থানান্তৰ কৰা হৈছে তিনিওজনকে। জিলাখনৰ বৰবৰুৱা আৰক্ষী থানা, দুলীয়াজান আৰক্ষী থানাত ৰুজু হোৱা গোচৰৰ তদন্তৰ খাতিৰত তিনিজনক ডিব্ৰুগড়লৈ নিয়া হৈছে। ২৫ অক্টোবৰত ডিব্ৰুগড় কাৰাগাৰৰ পৰা গুৱাহাটীলৈ আনি ২৬ অক্টোবৰত চুমি বৰা, তাৰ্কিক বৰা আৰু বিশাল ফুকনসহ মুঠ ৮ অভিযুক্তক গুৱাহাটীৰ আদালতত হাজিৰ কৰা হৈছিল। কিন্তু এতিয়াৰে পৰা ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত থাকিব চুমি,বিশাল আৰু তাৰ্কিক। ১৯ নৱেম্বৰত বিশেষ ন্যায়াধীশৰ আদালতত দীঘলীয়া শুনানিৰ সময়ত চুমি বৰাৰ অধিবক্তাই যুক্তি দিছিল যদিও জামিন নাকচ কৰা হয়। সিদিনাই চিবিআইৰ আদালতত শপতনামা দাখিল কৰিছিল চিবিআইৰ তদন্তকাৰী দলটোৱে। ট্ৰেডিং কেলেংকাৰী সংঘটিত কৰিছিল চুমি বৰাৰ পাতি লোৱা ভাতৃ কুখ্যাত বিশাল ফুকনে। বিশাল ফুকনে অবৈধ উপাৰ্জন পাতি লোৱা বায়েক চুমি বৰা তেওঁৰ স্বামী তাৰ্কিক বৰাৰ নামত খৰচ কৰা বুলি অভিযোগ উত্থাপন হোৱাৰ পাছতে প্ৰথমে বিশাল ফুকন আৰু প্ৰায় ১০টা দিন পলায়ন কৰি থকা চুমি বৰা আৰু স্বামী তাৰ্কিক বৰাক গ্ৰেপ্তাৰ কৰা হৈছিল। হিমন্ত বিশ্ব শৰ্মাৰ গৃহ বিভাগৰ চূড়ান্ত ব্যৰ্থতাৰ বাবেই অসমত অনলাইন ট্ৰেডিঙৰ নামত বৃহৎ কেলেংকাৰি সংঘটিত কৰা অভিযুক্তই জামিন লাভৰ সুবিধা পাইছিল। মুখ্যত তদন্তকাৰী সংস্থা চিবিআইয়ে চাৰ্জশ্বিট দাখিলত ব্যৰ্থ হোৱাৰ বাবেই কোটি কোটি টকাৰ ট্ৰেডিং কেলেংকাৰী সংঘটিত কৰা অভিযুক্তসকলে জামিন লাভ কৰিছে। ট্ৰেডিং কেলেংকাৰিৰ অন্যতম অভিযুক্ত বিশাল ফুকনসহ তিনিজনক জামিন প্ৰদান কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ে। বিশালৰ লগতে চুমি বৰাৰ স্বামী তাৰ্কিক বৰা আৰু স্বপ্নীল দাসৰ জামিন মঞ্জুৰ কৰিছিল যদিও আন দুটা গোচৰত জামিন লাভ কৰা নাই। ২২০০ কোটি টকাতকৈ বেছি টকাৰ বৃহৎ কেলেংকাৰী। ইতিমধ্যে চুমি বৰাৰ দেওৰ তথা তাৰ্কিকৰ ভাতৃ অম্লান বৰা আৰু আন এজন ট্ৰেডিং কেলেংকাৰীৰ নায়ক ৰঞ্জিত কাকতিয়ে জামিন লাভ কৰিছে। চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক ডিব্ৰুগড়ৰ পৰাৰ আনি ২৬ এপ্ৰিলত গুৱাহাটীৰ আদালতত হাজিৰ কৰোৱা হৈছিল। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত ৰুজু ৩৫২/২৪, ৩৫৪/২৪ নম্বৰ গোচৰ আৰু বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২৪ গোচৰত তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণ কৰিছে ৰাজ্য চৰকাৰে। এনেদৰে এতিয়া মধ্যমীয়া গতিৰে আগবাঢ়িছে উক্ত কেলেংকাৰীৰ তদন্ত প্ৰক্ৰিয়া।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# উত্তৰ গুৱাহাটীত বন্ধুৱে হত্যা কৰি বন্ধুক ওলমাই থ'লে ৰছীৰে

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৩ জানুৱাৰীঃ** উত্তৰ গুৱাহাটীত সংঘটিত হয় লোমহৰ্ষক হত্যাকাণ্ড। উত্তৰ গুৱাহাটী টিলিংগাঁৱত ধৰ্ম প্ৰচাৰক ভকত বৈষ্ণৱক হত্যা কৰি ৰছীৰে থ'লে ওলোমাই। ঘটনা অনুসৰি যোৱা ৩০ ডিচেম্বৰৰ পৰা সন্ধানহীন হৈ আছিল ২৩ বছৰীয়া এক শৰণ ভাগৱতী সমাজৰ নিৰৱছিন্ন সাধক বিকি দাস। শুকুৰবাৰে বিকি দাসৰ মৃতদেহ উদ্ধাৰ হয় ৰছীৰে ওলোমাই থোৱা অৱস্থাত। ভাগৱতী সমাজৰ নিৰৱছিন্ন সাধক বিকি দাসক ৰছীৰে ওলোমাই থোৱা অৱস্থাত দুটা নামঘৰৰ মাজত মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে অঞ্চলজুৰি সৃষ্টি হয় তীব্ৰ উত্তেজনাৰ।এই হত্যাকাণ্ডৰ লগত জড়িতৰ সন্দেহত আৰক্ষীয়ে বিকি দাসৰ দুই বন্ধু ক্ৰমে বিনয় দাস ওৰফে পিতাই আৰু উৎপল দাসক আটক কৰে। আৰক্ষীয়ে দুই বন্ধুক সোধা-পোছা কৰাত পোহৰলৈ আহে সমগ্ৰ ঘটনা। দুই হত্যাকাৰী বন্ধুৱে ঘটনা সংঘটিত কৰি চাৰি দিনে ঘটনাক গাপ দি কৰি আহিছিল সাধাৰণ জীৱন যাপন। ঘটনাস্থলীত উপস্থিত হয় উত্তৰ গুৱাহাটী আৰক্ষীৰ লগতে আৰক্ষীৰ উচ্চ পদস্ত বিষয়া। ঘটনাক কেন্দ্ৰ কৰি চেঁপা উত্তেজনাই বিৰাজ কৰে উত্তৰ গুৱাহাটীত।



২০২৩ বৰ্ষৰ ১১ জুনত হত্যাৰ বলি গোৱালপাৰা জিলাৰ বিজেপি নেত্ৰী জোনালী নাথৰ ঘৰত মুখ্যমন্ত্ৰী

# ছৈখোৱাত চাৰি সন্তানৰ মাতৃ নিৰুদ্দেশ

**ই-সংবাদ, ডুমডুমা, ৩ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত ধলা গাওঁ নিৱাসী ভাগ্যৱতী শইকীয়া নামৰ এগৰাকী ৫৫ বছৰীয়া মহিলা নিৰুদ্দেশ হোৱাৰ বিষয়ে জানিব পৰা গৈছে । ঘটনাৰ বিৱৰণী অনুসৰি, ৩১ ডিচেম্বৰৰ নিশা গাওঁখনৰে এঘৰৰ পথাৰত ইংৰাজী নৱবৰ্ষ উপলক্ষে আয়োজন কৰা ভোজলৈ গৈ ভোজ-ভাত খাই ঘৰলৈ ঘূৰি অহাৰ সময়ত আধা বাটৰ পৰাই অন্তৰ্ধান হয় গাঁওখনৰ মহিলা তথা গাঁওখনৰ বিৰিণা আত্মসহায়ক গোটটোৰ সদস্যা ভাগ্যৱতী শইকীয়া। পৰিয়ালৰ লোকৰ লগতে গাঁৱৰ ৰাইজে মহিলাগৰাকীৰ সন্ধানত অভিযান চলাই যদিও কোনো সন্ধান লাভ নকৰাত পৰিয়ালৰ লোকে কালি তালাপ আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে মহিলাগৰাকীৰ সন্ধানত অভিযান চলাইছে যদিওঁ এই বাতৰি লিখা পৰ্যন্ত কোনো শুংসূত্ৰই লাভ কৰিবলৈ সক্ষম হোৱা নাই বুলি জানিব পৰা গৈছে। চাৰি সন্তানৰ মাতৃ মহিলাগৰাকীৰ কোনোবাই সন্ধেদ পালে ৯৯৫৪৫-৭০৬৮৮ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে আহবান জনাইছে। মহিলাগৰাকীৰ নিৰুদ্দেশৰ ঘটনাই ছৈখোৱা ( ধলা ) অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# উপৰহালী ছোৱালী হাইস্কুলৰ বাৰ্ষিক বঁটা বিতৰণী অনুষ্ঠান

**ই-সংবাদ, মিৰ্জা, ৩ জানুৱাৰীঃ** উপৰহালী ছোৱালী হাইস্কুলৰ বাৰ্ষিক বঁটা বিতৰণী অনুষ্ঠান যোৱা ২৭ ডিচেম্বৰত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে উপৰহালী ছোৱালী হাইস্কুল পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ফুলেন্দ্ৰ তালুকদাৰে। উল্লেখ্য যে বিদ্যালয়খনৰ ছোৱালী হাইস্কুলৰ ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাত বিজয়ী ছাত্ৰীসকলক পুৰস্কাৰ হিচাপে কিতাপৰ টোপোলা, কলম আদি প্ৰদান কৰা হয়। আনহাতে, বিগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৭ গৰাকী ছাত্ৰী ক্ৰমে ভুমিকা ভৰালী(ষ্টাৰ), নিশিতা তালুকদাৰ( ষ্টাৰ), জুৰি বেগম, নাজমিন আহমেদ, বৰ্ণালী দেৱী, ইচা দাস আৰু নাজিফা আঞ্জুমক মানপত্ৰ, গামোচা, কিতাপৰ টোপোলা আদিৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি উপৰহালী ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক ফণী শৰ্মা, বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষক ক্ৰমে সুশান্ত ঠাকুৰীয়া আৰু মঃ চাইনো আলী, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি সমৰেন্দ্ৰ দাস, জ্যেষ্ঠ সদস্য গজেন চন্দ্ৰ ঠাকুৰীয়া আদিয়ে শিক্ষাৰ্থীসকলক উদ্দেশ্যি উদগনিমূলক ভাষণ ৰাখি উৎসাহিত কৰে। এই অনুষ্ঠানটিৰ আঁত ধৰি পৰিচালনা কৰে বিদ্যালয়খনৰ সহকাৰী প্ৰধান শিক্ষয়িত্ৰী তৰুলতা দেৱীয়ে।

## নগাঁৱৰ জামুগুৰিৰ গুড গাইডেন্স একাডেমীৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস




**ই-সংবাদ, বেবেজীয়া, ৩ জানুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ বেবেজীয়াৰ সমীপৰ জামুগুৰিস্থিত ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান গুড গাইডেন্স একাডেমীৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি শুকুৰবাৰে উলহ-মালহেৰে উদযাপন কৰা হয়। সেই মৰ্মে, শিক্ষানুষ্ঠানখনৰ চৌহদত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, অভ্যাগত, শুভাকাংক্ষী আৰু স্থানীয় ৰাইজৰ উপস্থিতিৰে পুৱাৰে পৰা উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অধ্যক্ষ পংকজ সুতে পতাকা উত্তোলন আৰু প্ৰাক্তন ছাত্ৰ নেতা অভিজিত দাসে ছহিদ তৰ্পণ কৰাৰ অন্তত স্থানীয় অঞ্চলৰ মাজেৰে এটি বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। প্ৰচণ্ড শীতকো নেওচি শিক্ষানুষ্ঠানখনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে মনোমোহা ৰূপত অসমীয়া কলা-কৃষ্টি-সংস্কৃতিৰ প্ৰদৰ্শনৰ লগতে প্ৰকৃতি সুৰক্ষাৰ বাৰ্তা বহনেৰে হাতে হাতে নানা প্লে'কাৰ্ড পৰিভ্ৰমণ কৰা এই শোভাযাত্ৰাই স্থানীয় অঞ্চল উজলাই তোলে। ইয়াৰ পিছতে শিক্ষানুষ্ঠানখনৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিশিষ্ট নাট্যকাৰ-পৰিচালক ধ্ৰুৱজ্যোতি বৰাই আৰু বন্তি প্ৰজ্বলন কৰে বিশিষ্ট কবি সঞ্জীৱ সাগৰ চৌধুৰীয়ে। দুপৰীয়া মুকলি সভা অনুষ্ঠিত কৰা হয়। সৰস্বতী বন্দনা আৰু বৰগীত পৰিবেশনেৰে শুভাৰম্ভ কৰা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষ পংকজ সুতে। শিক্ষানুষ্ঠানৰ উপাধ্যক্ষা জোনমণি মহন্তই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ সভাখনিত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট লেখক, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ৰবেন্দ্ৰ কুমাৰ দাস আৰু ২০১৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰত প্ৰথম স্থান লাভ কৰা মেধাৱী ছাত্ৰ ছৰফৰাছ হুছেইনে ছাত্ৰ-ছাত্ৰীৰ উপযোগী সাৰুৱা ভাষণ প্ৰদান কৰে। সভাত অঞ্চলৰ বহুকেইজন গন্যমান্য ব্যক্তিৰ লগতে ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকল উপস্থিত থাকে। বিয়লি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা গীত-মাত-নৃত্যৰ মনোগ্ৰাহী সাংস্কৃতিক অনুষ্ঠানেৰে দিনজোৰা কাৰ্যসূচীৰ সামৰণি পেলোৱা হয়।

## শংকৰদেৱ সংঘৰ আইলক্ষ্মী আঞ্চলিকৰ ৬৪ সংখ্যক বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, বেবেজীয়া, ৩ জানুৱাৰীঃ** উত্তৰ-পূবৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ আইলক্ষ্মী আঞ্চলিক শাখাৰ ৬৪ সংখ্যক বাৰ্ষিক অধিৱেশনখনি অহা ২৫ আৰু ২৬ জানুৱাৰীত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে নগাঁৱৰ ৰাইদঙীয়াৰ বৰিবজাৰত স্থাপিত মিহিৰাম আতা সমন্বয় ক্ষেত্ৰত উদযাপনৰ দিহা কৰা হৈছে। এই মৰ্মে, মোলান দাসক সভাপতি, পূৰ্ণ বৰদলৈক কাৰ্যকৰী সভাপতি আৰু নৰেন দাসক সম্পাদক হিচাপে লৈ এখনি আদৰণি সমিতি গঠন কৰা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা ৫ বজাত পৰিৱেশ নিকাকৰণৰ দ্বাৰা কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে একাদিক্ৰমে প্ৰাতঃ প্ৰসংগ, বৃক্ষৰোপণ, মূল তোৰণ উন্মোচন, নাম-প্ৰসংগ, প্ৰসাদ বিতৰণ আৰু প্ৰতিনিধিৰ নাম পঞ্জীয়নৰ অন্তত শিশু, আইমাতৃ কল্যাণ উপ সমিতিৰ সভা অনুষ্ঠিত হ'ব। দুপৰীয়া আইলক্ষ্মী আঞ্চলিক শাখাৰ সভাপতি ফণীন্দ্ৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া প্ৰতিনিধি সভাখনি উদ্বোধন কৰি আঞ্চলিক শাখাৰ সম্পাদক কমল চন্দ্ৰ ডেকাই। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পিছতে শংকৰী সংগীত আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। ইফালে, দ্বিতীয় দিনা পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা, নাম-প্ৰসংগ, প্ৰসাদ বিতৰণ আদিৰ অন্তত দুপৰীয়া মুকলি সভাপতি অনুষ্ঠিত হ'ব।

### ২৫ ডিচেম্বৰত হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা চলাই কৰিছিল পলায়ন

# আগমনিত ভাড়াঘৰত পত্নীক হত্যা কৰা এনামূলৰ আত্মসমৰ্পণ

**ই-সংবাদ, গোলকগঞ্জ, ৩ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত কালডোবা প্ৰথম খণ্ড গাঁৱৰ এটা ভাড়াঘৰৰ কোঠাত পত্নীক হত্যা কৰি পলায়ন কৰা হত্যাকাৰীয়ে অৱশেষত কালি সন্ধিয়া আগমনি থানাত আত্মসমৰ্পণ কৰে। হত্যাত অভিযুক্ত গৌৰীপুৰ থানাৰ শামচৰণেৰকুটী দ্বিতীয় খণ্ড গাঁৱৰ আবুল হকৰ পুত্ৰ এনামূল হক। উল্লেখ্য যে ডেৰ বছৰ পূৰ্বে এনামূলে বিয়া কৰিছিল একে গাঁৱৰ উম্মে ৰাবিয়া ছুলতানাক। দুয়ো ঘৰৰ অসন্মতিত বিয়া পতাৰ বাবে থাকে ঘৰৰ বাহিৰত। ছয় মাহৰ পৰা দম্পতীহাল কালডোবা প্ৰথম খণ্ড গাঁৱৰ মেহবুব আলম চৌধুৰী (সুন)ৰ ঘৰৰ এটা কোঠাত ভাড়াতীয়া হিচাপে থাকে। স্বামী এনামূল পেছাত এজন ৰাজমিস্ত্ৰী। কৰ্মসূত্ৰে তেওঁ সৰহভাগ সময় ঘৰৰ বাহিৰত থাকে। আনহাতে, শিক্ষিতা মহিলাগৰাকী এখন ব্যক্তিগত বিদ্যালয়ত শিক্ষকতা কৰাৰ লগতে টিউচনো কৰে। ২৫ ডিচেম্বৰৰ নিশা স্বামী এনামূলে আন এজন ভাড়াতীয়াক ফোন কৰি তেওঁৰ পত্নীয়ে ঘৰত চিপ লোৱা বুলি জনায়। ঘৰৰ গৰাকী মেহবুব আলেম এই বিষয়ে জানিব পাৰি আগমনি থানাক অৱগত কৰে। ঘটনাৰ খবৰ পাই আৰক্ষী ঘৰটোত সোমাই মৃতদেহ মজিয়াত পৰি থকা দেখা পায়। লগতে মৃতদেহৰ ডিঙিত দাগ প্ৰত্যক্ষ কৰে। ঘৰটো বাহিৰৰ পৰা বন্ধ কৰি থোৱা আছিল। কাৰ্যতঃ মহিলাগৰাকীক কোনোবাই হত্যা কৰি পেলাই থোৱা বুলি নিশ্চিত হয়। আৰক্ষীয়ে প্ৰাথমিক তদন্ত কৰি মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত প্ৰেৰণ কৰে। খবৰ পাই মৃত মহিলাৰ পৰিয়ালৰ লোক ঘটনাস্থলীত উপস্থিত হয়।



পৰিয়ালৰ লোকে অভিযোগ কৰা মতে, স্বামী-স্ত্ৰীৰ মাজত মতানৈক্য আৰু কাজিয়া চলি আছিল। এই সন্দৰ্ভত প্ৰায়ে ফোনযোগে ঘৰৰ লোকক মহিলাগৰাকীয়ে অৱগত কৰিছিল। কাজিয়া, বাক-বিতণ্ডাৰ পৰিণতিত স্বামী এনামূলে পত্নীক হত্যা কৰা বুলি অভিযোগ তুলি পৰিয়ালৰ লোক আগমনি থানাত এজাহাৰ দাখিল কৰে। আগমনি থানাত ১২২/২৪ নম্বৰৰ এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰখাৰ মাজতে কালি সন্ধিয়া হত্যাত অভিযুক্ত এনামূলে আত্মসমৰ্পন কৰে। তদন্তকাৰী আৰক্ষী বিষয়াই এনামূলক সোধা-পোছা অব্যাহত ৰাখিছে।

# লক্ষীমাৰীৰ হত্যাকাণ্ডত জড়িত আৰু এজনক আটক

**ই-সংবাদ, গোলকগঞ্জ, ৩ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত লক্ষীমাৰী তৃতীয় খণ্ড গাঁৱত এটা সাধাৰণ ঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা হত্যাকাণ্ডত জড়িত মূল তিনি অভিযুক্তৰ পিছত যোৱা নিশা পুনৰ গোলকগঞ্জ আৰক্ষীয়ে আন এজন সহযোগীক আটক কৰে। আনহাতে, হত্যাৰ উদ্দেশ্যেৰে ডেগাৰেৰে ঘপিয়াই আৰক্ষীৰ হাতত আটক হোৱা অভিযুক্তই হেণ্ডকাপসহ বিজয়োল্লাস কৰে। বিজয়োল্লাস কৰা এইজন অভিযুক্তৰ ক্ষেত্ৰত গোলকগঞ্জ আৰক্ষীৰ নমনীয় ভূমিকাই আৰক্ষীৰ প্ৰতি সাধাৰণ ৰাইজৰ সন্দেহৰ আঙুলি উঠিছে। জানিব পৰা মতে, ২৫ ডিচেম্বৰত কেৰম খেলক লৈ হোৱা কাজিয়াৰ পৰিণতিত নিশা শিক্ষক শ্বাহ আলম সৰকাৰ তেওঁৰ পুত্ৰ ইনজামামুল সৰকাৰ আৰু ভাগিন ৰেজ্জাক তালুকদাৰে ডেগাৰেৰে ঘপিয়াই মিৰাজুল ইছলামক গুৰুতৰভাৱে আহত কৰে। আৰক্ষীয়ে অভিযুক্তক ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগত ২৮ ডিচেম্বৰত স্থানীয় ৰাইজ



থানা ঘেৰাও কৰাত নিশা আৰক্ষীয়ে অভিযুক্ত ইনজামামুল আৰু ৰেজ্জাকক গ্ৰেপ্তাৰ কৰে। গোলকগঞ্জ আৰক্ষীয়ে দুয়োকে হেণ্ডকাপ লগাই আদালতত নিয়াৰ সময়ত গাঁওখনৰ আৰমান সৰকাৰে বিজয়োল্লাস কৰি ছেলফি উঠে। ৩১ ডিচেম্বৰৰ পুৱতি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত মিৰাজুল ইছলামৰ মৃত্যু ঘটে। সিদিনাই সন্ধিয়া গোলকগঞ্জ আৰক্ষী মূল অভিযুক্ত শ্বাহ আলমক গ্ৰেপ্তাৰ কৰে। অভিযুক্তৰ ফাঁচীৰ দাবীত এক জানুৱাৰীত সদৌ অসম গৰিয়া দেশী জাতীয় পৰিষদৰ উদ্যোগত সহস্ৰাধিক লোকে মৃতদেহ লৈ উত্তাল প্ৰতিবাদ কৰে। পৰিৱেশ কিছু শান্ত হোৱাৰ সময়তে হেণ্ডকাপসহ অভিযুক্ত ইনজামামুল আৰু ৰেজ্জাকক লগত লৈ আৰমান সৰকাৰে কৰা বিজয়োল্লাসৰ ছেলফি সামাজিক মাধ্যমত ভাইৰেল হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এজন পাহুৱাল যুৱকৰ অপ্ৰত্যাশিত মৃত্যুত অঞ্চলটো শোকাচ্ছন্ন হৈ পৰাৰ বিপৰীতে একাংশৰ আনন্দ-উল্লাসে সৰ্বসাধাৰণ ৰাইজক ক্ষোভিত কৰি তুলিছে। আৰক্ষীৰ নিৰাপত্তাৰ মাজত হত্যাকাণ্ডত জড়িত অভিযুক্ত হেণ্ডকাপসহ বিজয়োল্লাস কৰা আৰু ছেলফি লোৱা ঘটনাই ধুবুৰী জিলা আৰক্ষীৰ প্ৰতি ৰাইজৰ সন্দেহ ঘনীভূত কৰি তুলিছে। কিন্তু ইমান ডাঙৰ অপৰাধত জড়িতক এৰি মূল অভিযুক্ত শ্বাহ আলমে গ্ৰেপ্তাৰৰ পূৰ্বে ফোনত কথোপকথন কৰা গাঁওখনৰ আনিচুৰ বেপাৰীক আৰক্ষীয়ে যোৱা নিশা আটক কৰা ঘটনাই মৃদু প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে হত্যাৰ টাৰ্ণিংপইণ্ট কেৰম খেলক লৈ সৃষ্টি হোৱা এই কাজিয়া আনিচুৰ বেপাৰীৰ দোকানৰ সন্মুখতে সংঘটিত হৈছিল।

# গেলেকী আদৰ্শ বিদ্যাপীঠৰ চতুৰ্বিংশতম প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, গেলেকী, ৩ জানুৱাৰীঃ** শিক্ষাৰ এক অগ্ৰণী অনুষ্ঠান আদৰ্শ বিদ্যাপীঠ গেলেকীৰ চতুৰ্বিংশতম প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। বৰ্তমান ২৪ বছৰত ভৰি দিলে শিক্ষানুষ্ঠানখনে। ঘাত-প্ৰতিঘাতৰ মাজেৰে সুদীৰ্ঘ ২৩ বছৰ পাৰ কৰি আজি এক অন্যতম আগৰণুৱা শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছে আদৰ্শ বিদ্যাপীঠ গেলেকী। এই উপলক্ষে অনুষ্ঠিত কৰা হয় চতুৰ্বিংশতম প্ৰতিষ্ঠা দিৱসৰ। গেলেকীৰ নাট্য মন্দিৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় বিদ্যালয়খনৰ চতুৰ্বিংশতম প্ৰতিষ্ঠা দিৱসৰ। পুৱা বন্তি প্ৰজ্বলন আৰু পাতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ হয়। পাতাকা উত্তোলন কৰে জ্যেষ্ঠ শৈক্ষিক বিষয়া হৰেন চেতিয়াই। তাৰ পৰৱৰ্তী কাৰ্য্যসূচীত বিদ্যালয়খন প্ৰতিষ্ঠা কৰা কেইগৰাকীমান প্ৰয়াত ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে পালন কৰা হয় চতুৰ্বিংশতম প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখনি সভাৰআয়োজন কৰা হয়। সভাখন পৰিচালনা কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভানেত্ৰী গুণ গগৈয়ে। সভাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে উপস্থিত থাকে অভিভাৱক-অভিভাৱিকাসকল। অনুষ্ঠানটিলৈ জিলাখনৰ বিভিন্ন প্ৰান্তৰ ভালেকেইজন শিক্ষানুষ্ঠানৰ লগত জড়িত ব্যক্তি তথা সমাজ জীৱনৰ লগত জড়িত সামাজিক ব্যক্তি, অসম সাহিত্য সভাৰ শিৱসাগৰ জিলাৰ প্ৰতিনিধি, বিশিষ্ট লেখক, কবি, ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ লগতে সংবাদ মাধ্যমৰ লগত জড়িত গেলেকী প্ৰেছ ক্লাবৰ বিষয়ববীয়াও উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানটিতে বিদ্যালয়খনৰ উন্মেষ নামৰ ত্ৰি-বাৰ্ষিক এখনি আলোচনীৰ উন্মোচন কৰা হয়। উন্মোচন কৰে অসম সাহিত্য সভাৰ শিৱসাগৰ জিলাৰ উপ-সভাপতি তথা নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ জীৱন কলিতাই। লগতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা হাতেলিখা আলোচনী প্ৰকাশ কৰা হয় এই সভাতেই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি শিক্ষানুষ্ঠানখনৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীক বিশেষ বঁটা প্ৰদান কৰা হয়। এই বঁটাৰ ভিতৰত আছিল শ্ৰেষ্ঠ নম্বৰ প্ৰাপ্ত ছাত্ৰ, বিদ্যালয়খনৰ শ্ৰেষ্ঠ অমায়িক ছাত্ৰ, বছৰত সৰ্বাধিক বিদ্যালয়ত উপস্থিত ছাত্ৰৰ সন্মান আদি। অনুষ্ঠানটিৰ শেষৰ দফাত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়খনৰ সঞ্চালিকা কৃন্তি ৰাণী বৰাই। দিনৰ ৩ বজাত অসম সংগীত পৰিৱেশনেৰে সফল সামৰণি ঘটে।

## পশ্চিমবংগত উজলিল মান্দাকাটাৰ কন্যা তামান্না তাছনিম

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৩ জানুৱাৰীঃ** কামৰূপ জিলাৰ মান্দাকাটাৰ লাহিৰাম কাকতি টাং ছু ডু স্পৰ্টছ ক্লাবৰ ছাত্ৰী তামান্না তাছনিমে কাৰাটে ছেম্পিয়নশ্বিপত বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত বাতৰি অনুসৰি পশ্চিমবংগৰ সৰগপুৰ যুৱ কাৰাটে একাডেমীৰ উদ্যোগত আয়োজিত ২৪ সংখ্যক নেচনেল জাপান কেনইউ ৰিউ অপেন কাৰাটে ছেম্পিয়নশ্বিপত গাৰ্লছ কুমিটেত প্ৰথম আৰু গাৰ্লছ কাটাত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয় তামান্না তাছনিমে। দক্ষিণ মান্দাকাটাৰ জ্যোৎস্না বেগমৰ কন্যা তথা চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী তামান্না তাছনিমে ৰাজ্যৰ ভিন্ন প্ৰান্তত বিভিন্ন সময়ত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিও পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। ভৱিষ্যতে অলিম্পিকত অংশগ্ৰহণ কৰাৰ আশা পুহি ৰখা তাছনিম তামান্নাৰ এই সফলতাত উৎফুল্লিত হৈ পৰিছে ছাত্ৰীগৰাকীৰ পৰিয়াল তথা বৃহত্তৰ মান্দাকাটাৰ ৰাইজ।

# নৱবৰ্ষৰ উৎসাহ উদ্দীপনাৰ মাজতে পৰ্বতঝোৰাত বন বিভাগৰ তীব্ৰ অভিযান

**ই-সংবাদ, পৰ্বতঝোৰা, ৩ জানুৱাৰীঃ** দীৰ্ঘদিনৰ পৰা কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ অন্তৰ্গত মদাতি, খুটা বাগৰা, শিলাইৰ পাৰ, বাসবাৰী, শিলবাৰী, জালাবিলা, ৰূপসীকে আদি কৰি বিভিন্ন অঞ্চলত বিভিন্ন বীট কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীক মেনেজ কৰি এক অসাধু চক্ৰই কাঠফুলাৰ দৰে গঢ়ি তুলিছিল অবৈধ কাঠফলা মিল। উল্লেখ্য যে পৰ্বতঝোৰাৰ সংৰক্ষিত বনাঞ্চলৰ মূল্যবান শাল, চেগুন, গমাৰি ইত্যাদি অপৈনত গছসমূহ কাটি তহলিং কৰি চোৰাং কাঠ বেপাৰীৰ লগত কাঠফলা মিলসমূহে দীৰ্ঘদিনৰ পৰা ব্যৱসায় চলি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। আজি এক গোপন খবৰৰ ভিত্তিত শুপাৰীঘাট, বাসবাৰী আৰু খোৰাঘাট বন বিষয়াৰ যৌথ অভিযানত বৃহৎ এটি দলে বন-বিভাগৰ শিলাইৰ পাৰ ২য় খণ্ড মল্লিক পাৰা গাঁৱৰ পৰা এটি অবৈধ কাঠমিলৰ লগতে মূল্যৱান কাঠৰ কুণ্ডা জব্দ কৰে যদিও আন ভালেকেইটা কাঠফলা মিল বন বিভাগৰ চকুত নপৰাৰ অভিযোগ উত্থাপিত হৈছে। মন কৰিবলগীয়া যে দীৰ্ঘদিনৰ পৰা অবৈধ কাঠফলা মিলসমূহ গোপনে চলাই থকাৰ অভিযোগ উত্থাপিত



হৈছে।বৰ্তমান জব্দকৃত মিল আৰু কাঠৰ কুণ্ডাসমূহ বাসবাৰি বনাঞ্চললৈ আনি অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে বন বিভাগৰ দলে। অসম চৰকাৰৰ লগতে বিটিআৰ চীফ প্ৰমোদ বড়ো, পৰ্বতঝোৰা মহকুমা আয়ুক্ত, কোকৰাঝাৰ জিলা আয়ুক্তই পৰ্বতঝোৰাত চলি থকা ডেৰ কুৰি অবৈধ কাঠফলা মিলৰ বিৰুদ্ধে কেনে পদক্ষেপ গ্ৰহণ কৰে সেয়া সময়তহে লক্ষণীয় হ'ব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## নগাঁৱৰ ভোটাইগাঁৱত কলংপৰীয়া শাখা সাহিত্য সভাৰ পঞ্চবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, পুৰণিগুদাম, ৩ জানুৱাৰীঃ** অসম সাহিত্য সভাৰ অন্যতম অগ্ৰণী শাখা নগাঁৱৰ কলংপৰীয়া শাখা সাহিত্য সভাৰ পঞ্চবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনখনি অহা ১১ আৰু ১২ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে ৪৪৭ নং ভোটাইগাঁও নিম্ন বুনিয়াদী বিদ্যালয় প্ৰাংগণত উদযাপনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। উদ্যোক্তাসকলৰ হে কলংপৰীয়া শাখা সাহিত্য সভাৰ সম্পাদক দীপাংকৰ ভূঞা আৰু অধিৱেশন উদযাপন সমিতিৰ সম্পাদক জয়ন্ত বৰাই জনোৱা মতে, অধিৱেশনৰ সৈতে সংগতি ৰাখি ১১ জানুৱাৰীৰ পুৱা ৮.৩০ বজাত অসম সাহিত্য সভাৰ ২৫ খন পতাকা অঞ্চলটোৰ ২৫ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা হ'ব। মূল পতাকা উত্তোলন কৰিব শাখাৰ সভাপতি থুলেশ্বৰ বৰাই। ইয়াৰ পিছতে স্মৃতিচাৰণ অনুষ্ঠান মুকলি কৰিব উদযাপন সমিতিৰ সভাপতি তথা শাখাৰ প্ৰাক্তন সভাপতি কমলাকান্ত বৰাই। পুৱা ১০ বজাত সাধু কোৱা প্ৰতিযোগিতা, ১১ বজাত কুইজ প্ৰতিযোগিতা, বিয়লি ১ বজাত দুপৰীয়াৰ আহাৰ গ্ৰহণৰ অন্তত বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। সন্ধ্যা উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি দিলীপ বৰাৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে দিনটোৰ কাৰ্যসূচীৰ অন্ত পৰিব। ১২ জানুৱাৰীৰ পুৱা ৯ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, ১০ বজাত বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি ১ বজাত দুপৰীয়াৰ আহাৰ গ্ৰহণৰ অন্তত ১.৩০ বজাত এখনি মুকলি সভা অনুষ্ঠিত হ'ব। শাখাৰ সভাপতি থুলেশ্বৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভাত মুখ্য অতিথি হিচাপে বিধায়ক ৰূপক শৰ্মা, বিশিষ্ট অতিথি হিচাপে নগাঁও জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, নগাঁও জিলা সাহিত্য সভাৰ সভাপতি থগিত মহন্ত, সন্মানীয় অতিথি হিচাপে নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, লেখক, অৱসৰপ্ৰাপ্ত আঞ্চলিক বন বিষয়া মহেশ নাথৰ উপস্থিতিত শাখাৰ মুখপত্ৰ 'সাঁকো' উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট সাহিত্যিক তথা নগাঁও জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ শৰৎ বৰকটকীয়ে। উক্ত সভাতে অঞ্চলৰ কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন কৰাৰ লগতে প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব। সভাৰ অন্তত পতাকা অৱনমনৰ লগতে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ সামৰণি পৰিব। উল্লেখ্য যে, অধিৱেশনৰ লগত সংগতি ৰাখি এখনি ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ 'ক' শাখা (বিষয়:- শ্ৰীমন্ত শংকৰদেৱ) আৰু নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ 'খ' শাখা (সমাজ গঠনত শ্ৰীমন্ত শংকৰদেৱৰ ভূমিকা)ৰ প্ৰতিযোগীৰ মাজত অনুষ্ঠিত হ'ব। অহা ৫ জানুৱাৰীৰ ভিতৰত ৰচনাসমূহ জমা দিবলৈ সমিতিৰ ফালৰ পৰা আহ্বান জনোৱা হৈছে।

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাক্সা জিলাৰ নৱস্তি অধিৱেশনৰ আয়োজন

**ই-সংবাদ, মুছলপুৰ, ৩ জানুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্গত বাক্সা জিলা শাখাৰ চতুৰ্দশ বাৰ্ষিক অধিৱেশনখনি ৩১ জানুৱাৰী, ১ আৰু ২ ফেব্ৰুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নৱস্তিৰ বিষ্ণু আশ্ৰমত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। ইতিমধ্যে এই অধিৱেশনখনি পৰিচালনা কৰিবলৈ চন্দ্ৰ কলিতাক সভাপতি, চতন কুমাৰ ৰামছিয়াৰীক কাৰ্যকৰী সভাপতি আৰু নৰেশ্বৰ হালৈক সম্পাদক হিচাপে লৈ এখন আদৰণী সমিতি গঠন কৰা হৈছে বুলি জিলা সমিতিৰ সম্পাদক হিতেশ বৈশ্যই জনাইছে। অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্জ্বলন, নাম-প্ৰসংগ, শৰণ শিৱিৰ, গছপুলি ৰোপণ, মূল তোৰণ উদঘাটন, জিলা শাখাৰ কাৰ্যালয়ৰ দ্বাৰ উন্মোচন, সেৱা বাহিনীৰ কাৰ্যালয়ৰ লগতে বিভিন্ন শাখা সমিতিৰ কাৰ্যালয় উদঘাটন, ভোজনালয়ৰ দ্বাৰ উন্মোচন, প্ৰতিনিধি শিৱিৰৰ দ্বাৰ উন্মোচন, জিলা কাৰ্যনিৰ্বাহক সভা, শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ যৌথ সন্মিলন আৰু সেৱা বাহিনীৰ গ্ৰন্থ উন্মোচন কৰা হ'ব। সেৱা বাহিনীৰ গ্ৰন্থ উন্মোচনী সভাত যুৱ সাংবাদিক এঞ্জেলা চাংমাইয়ে নিৰ্দিষ্ট বক্তা হিচাপে অংশ গ্ৰহণ কৰিব। সন্ধিয়া নাম প্ৰসংগৰ পাছত আদৰণী সমিতিৰ সভা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা পৰিৱেশ নিকাকৰণ, নাম-প্ৰসংগ, ভাগৱত পাঠ, প্ৰাথমিক শাখাৰ সভাপতি-সম্পাদক সন্মিলন, সাহিত্য, সংস্কৃতি, শিক্ষা আৰু প্ৰচাৰ শাখাৰ যৌথ সন্মিলন, আদৰণী সমিতিৰ স্মৃতিগ্ৰন্থ ভকতি অঞ্জলি উন্মোচন আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৰেন্দ্ৰ নাথ ডেকাই অংশ ল'ব। অনুষ্ঠানত বাৰ্ষিক মুখপত্ৰ শিৰোমণি উন্মোচন, জীৱন পঞ্জী উন্মোচন কৰা হ'ব। ইয়াৰ পাছত প্ৰতিনিধি সভা, ভাওনা প্ৰদৰ্শন আৰু বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। সামৰণিৰ দিনাখনৰ কাৰ্যসূচী অনুসৰি পুৱা নাম-প্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰা আৰু মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰ শাখাৰ প্ৰাক্তন সভাপতি জগৎ বনিয়াই অংশ ল'ব। সন্ধিয়া নাম-প্ৰসংগৰ পাছত বাৰেৰহনীয়া সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ'ব। সন্ধিয়া কণ্ঠ শিল্পী বিদ্যাসাগৰৰ গীতৰ শৰাইৰে অধিৱেশনৰ সামৰণি পৰিব।

# ৰহিম উদ্দিন শ্বেখৰ মৃত্যুত শিমলীতোলাত শোক

**ই-সংবাদ, শিমলীতোলা,৩ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ১ নং বাঘমাৰা চৰৰ বৰ্তমান শিমলীতোলা নিবাসী ৰহিম উদ্দিন শ্বেখৰ বাৰ্ধক্যজনিত কাৰণত ৭৫ বছৰ বয়সত যোৱা নিশা প্ৰায় ২ বজাত মৃত্যু ঘটে। তেওঁৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোঁকৰ ছাঁ পৰে। অঞ্চলটোৰ হাজাৰৰো অধিক মানুহৰ উপস্থিতিত তেওঁৰ জানাজা নামাজ কামাৰপোতা আঞ্চলিক কবৰস্থানত দিনৰ ২ বজাত আদায় কৰাৰ লগতে সকলোৱে উক্ত জানাজা নামাজত অংশগ্ৰহণ কৰি ৰুহুৰ মাগফেৰাৎৰ বাবে দোৱা কৰি পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

# বিশ্বনাথৰ বালিচাং প্ৰাথমিক বিদ্যালয়ত বিদ্যালয় সপ্তাহ উপলক্ষে মূলসভা আৰু বঁটা বিতৰণী অনুষ্ঠান

**ই-সংবাদ, বিশ্বনাথ, ৩ জানুৱাৰীঃ** বিশ্বনাথ জিলা প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনত থকা বালিচাং প্ৰাথমিক বিদ্যালয়ত বিদ্যালয় সপ্তাহ পালন কৰা হয়। সপ্তাহদিন ধৰি পালন কৰা বিদ্যালয় সপ্তাহ কাৰ্যসূচী উপলক্ষে বিভিন্ন ধৰণৰ খেল-ধেমালিৰ লগতে গীত-নৃত্যৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। বিদ্যালয় সপ্তাহ কাৰ্যসূচীৰ লগত সংগতি আজি অনুষ্ঠিত কৰা হয় মূলসভা আৰু বঁটা বিতৰণী অনুষ্ঠান। বৰচাং কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি সুৰেণ ফাংচুৰ সভাপতিত্বত আৰু বালিচাং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পৰেশ বৰাই উদ্দেশ্য বাখ্যা কৰা মূলসভা আৰু বঁটা বিতৰণী অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, শাৰিৰীক আৰু বৌদ্ধিক দিশৰ ওপৰত আলোকপাত কৰা হয়। ছাত্ৰ-ছাত্ৰী লগতে অভিভাৱকসকলৰ উপস্থিতিত হোৱা মূলসভাত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি শিক্ষামূলক বক্তব্য আগবঢ়ায় শিক্ষক মিখাইল তিৰ্কী, জোনাছ তেলহানকে ধৰি কেইবাগৰাকী শিক্ষকে। ইয়াৰ পাছতে বঁটা বিতৰণী সভাত বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক বঁটা বিতৰণ কৰা হয়। অনুষ্ঠানটিত মনোৰঞ্জনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে নৃত্য পৰিৱেশন কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় বালিচাং প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দেৱজিৎ বৰাই।

# লিডুত অচিনাক্ত মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, ডুমডুমা, ৩ জানুৱাৰী:** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা থানাৰ অন্তৰ্গত ১ নং মুলুং গাওঁত দিহিং নৈত উটি অহা এজন পুৰুষৰ মৃতদেহ আজি উদ্ধাৰ কৰা হয়। লিডু আৰক্ষী চকীৰ আৰক্ষীয়ে প্ৰায় উৰলি যাব ধৰা মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়াৰ বৰদলৈ নগৰস্থিত লোকপ্ৰিয় গোপীনাথবৰদলৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। প্ৰায় পাঁচ ফুট উচ্চতাৰ লোকজনে এটা হালধীয়া টি-চাৰ্ট, মুগা বৰণীয়া জেকেট আৰু পাইজামা পৰিধান কৰি আছিল। মৃতদেহটো বৰ্তমানলৈ চিনাক্ত কৰিব নোৱাৰাত সম্প্ৰতি চিকিৎসালয়খনৰ মৰ্গতে ৰখা হৈছে। কোনো লোকে এই সম্পৰ্কত কিবা তথ্য জনাব বিচাৰিলে লিডু আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। উক্ত ঘটনাক লৈ মাৰ্ঘেৰিটা সমজিলাত চাঞ্চল্যই বিৰাজ কৰিছে।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

## মুখ্য অতিথি হিচাপে উপস্থিত ৰকিবুল হুছেইন-লুৰিণজ্যোতি গগৈ

# চেঙাৰ ৰামাপাৰা পাম বালক প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ সমাৰোহৰ সামৰণি অনুষ্ঠান

**ই-সংবাদ, নগৰবেৰা, ৩ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অতি ভিতৰুৱা অঞ্চলত ১৯২০ চনত স্থাপিত ৰামাপাৰা পাম বালক প্ৰাথমিক বিদ্যালয়ৰ কালি শতবৰ্ষ সমাৰোহৰ সামৰণি পৰে। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক আবু ছিদ্দিক আহমেদ। আজমল হকে আঁত ধৰা সভাত ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। ভাষণত সাংসদগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰীগৰাকীৰ ৰাইজৰ ওপৰত বিশ্বাস নাই, সেই কাৰণে সময় মতে পঞ্চায়ত নিৰ্বাচন পাতিবলৈ সাহস পোৱা নাই বুলি কয়। তদুপৰি অত্যাচাৰী শাসনৰ লগতে মূল্যবৃদ্ধি, স্মাৰ্ট মিটাৰ, সাম্প্ৰদায়িক ৰাজনীতি আদিৰ বাবে মুখ্যমন্ত্ৰীগৰাকী আৰু বিজেপি চৰকাৰৰ ওপৰত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ আস্থা-বিশ্বাস নোহোৱা হৈ পৰিছে বুলি তেওঁ মন্তব্য কৰে। বিভিন্ন সময়ত মুছলমান লোকক তুচ্ছ-তাচ্ছিল্য কৰা, মুছলমানৰ ভোট নালাগে বুলি কোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এন আৰ চিৰ ভিত্তি বৰ্ষ ১৯৭১ হোৱাৰ পিছৰে পৰা মুছলমানৰ ভোট বিচৰা আৰম্ভ কৰিছে বুলি সাংসদগৰাকীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। অহা ২৬ৰ নিৰ্বাচনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অত্যাচাৰী শাসনৰ অন্ত পৰিব বুলি কোৱাৰ লগতে বানপানী আৰু শৈক্ষিক দিশৰ ওপৰতো ভাষণ প্ৰদান কৰে সাংসদ হুছেইনে। তদুপৰি সাংসদ ৰকিবুল হুছেইনে সাংবাদিকৰ এক প্ৰশ্নত্তোৰত এআইইউডিএফ দলৰ মুৰব্বী তথা প্ৰাক্তন সাংসদ মৌলানা বদৰুদ্দিন আজমলে ভাৰতৰ ভিতৰত ৰেকৰ্ড সংখ্যক ভোটত পৰাজিত হৈছে বুলি আজমলক কটাক্ষ কৰে। তদুপৰি অনুষ্ঠানটিত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰি কয় যে বিজেপিৰ আগ্ৰাসী ৰাজনীতি, টকা-পইচাৰ ৰাজনীতি আৰু সাম্প্ৰদায়িকতাৰ ৰাজনীতিৰ বিৰুদ্ধে যুঁজিবলৈ আমি বাস্তৱ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, দলীয় আৰু ব্যক্তিগত স্বাৰ্থৰ ঊৰ্ধত গৈ আমি বিৰোধীসকলে ঐক্যবদ্ধ নীতি প্ৰস্তুত কৰিব লাগিব। তেওঁ কয় যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই বাস্তৱ পৰিস্থিতি অনুধাৱন নকৰি সাম্প্ৰদায়িকতাক অস্ত্ৰ হিচাপে লৈ ৰাজনীতি বৈতৰণী পাৰ হ'বলৈ বিচাৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কেৱল হিন্দু-মুছলমানৰ মাজত বিভাজনৰ ৰাজনীতি কৰি সমাজখন ভাঙিব ধৰিছে। বিজেপিৰ সাম্প্ৰদায়িকতাৰ খেল অসমত চলিবলৈ নিদিওঁ বুলি সকীয়াই দি গগৈয়ে কয় যে ইতিমধ্যে ১ লাখ ৫২ হাজাৰ কোটি টকা ঋণত পোত গৈছে। কেৱল হিতাধিকাৰী বঢ়ালে চৰকাৰৰ সফলতা নহয়। কোনবিধ সামগ্ৰীত অসম আত্মনিৰ্ভৰশীল হ'ল তাক ৰাজহুৱা কৰিবলৈ গগৈয়ে মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনায়। তদুপৰি লুৰীণজ্যোতি গগৈয়ে ভাষণত এনআৰচিৰ সন্দৰ্ভত প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কয় যে কোন বিদেশী, কোন স্বদেশী, কোন বাংলাদেশী, কোন ১৯৭১ চনৰ আগত আহিছে আৰু কোনে পাছত আহিছে সেয়া নথি-পত্ৰ বা এনআৰচিয়ে ক'ব। সৰ্বানন্দ সোণোৱালে এনআৰচি ভালকৈ কৰিব নোৱাৰিলে। এনআৰচিত তেওঁলোকে ক'ত ভুল দেখিছে ক'ব লাগে আৰু ভুল তথ্য দি নাম ক'ত সোমুৱাইছে তাৰ তথ্য দিব লাগে বুলি কৈ গগৈয়ে শীঘ্ৰে পানী নসৰকা বিধৰ বিদেশী নাম মুক্ত এনআৰচি বনাবলৈ আহ্বান জনায়। সভাত বিধায়ক এ কে ৰছিদ আলম, বিধায়ক আফতাব উদ্দিন মোল্লা, গোৱালপাৰা জিলা কংগ্ৰেছৰ সভাপতি দিগন্ত কুমাৰ মেধি, কংগ্ৰেছৰ মুখপাত্ৰ অধিবক্তা ৰফিকুল ইছলাম, আব্দুল মজিদ প্ৰমুখ্যে বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে বিদ্যালয়খনৰ শতবৰ্ষ অনুষ্ঠানৰ লগত সংগতি ৰাখি 'মৰুদ্যান 'নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়।

# মৰিগাঁৱত সন্দেহজনক অৱস্থাত চিপ লৈ থকা মহিলাৰ মৃতদেহ উদ্ধাৰ, চাঞ্চল্য

**ই-সংবাদ, মৰিগাঁও, ৩ জানুৱাৰীঃ** মৰিগাঁও চহৰৰ নিকটৱৰ্তী মৰিকলং বিলৰ জিৰণি চ'ৰাত আজি পুৱাৰ ভাগত চিপ লোৱা অৱস্থাত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত মহিলাগৰাকী মৰিগাঁও চহৰৰ কৃষ্ণ মন্দিৰৰ সমীপৱৰ্তী বাসিন্দা ৰূপা বৰদলৈ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে যোৱা তিনিদিন ধৰি নিৰুদ্দেশ হৈ আছিল এই মহিলাগৰাকী। আজি মহিলাগৰাকীৰ মৃতদেহটো ৰহস্য জনকভাৱে উদ্ধাৰ হোৱা ঘটনাটো সৰ্বত্ৰ চৰ্চাৰ বিষয় হৈ পৰিছে। ঘটনাস্থলীত মৰিগাঁও আৰক্ষী উপস্থিত হৈ পৰিয়ালৰ উপস্থিতিত মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইফালে, মহিলাগৰাকীৰ দেহত আঘাতৰ চিন থকা এই কৰুণ ঘটনাটো প্ৰকৃততে হত্যাকাণ্ড নে আত্মহত্যা ইয়াক উদঘাটন কৰিবলৈ আৰক্ষীয়ে জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে। কি কাৰণত মহিলাগৰাকীয়ে এনেদৰে মৃত্যুক আঁকোৱালি ল'ব লগীয়া হ'ল সেয়া আৰক্ষীৰ তদন্তত স্পষ্ট হ'ব।

# হোজাই প্ৰেছ ক্লাবৰ স্বাস্থ্য পৰীক্ষা শিবিৰ

**ই-সংবাদ, মোৰাঝাৰ, ৩ জানুৱাৰীঃ** ১৯৯৪ চনৰ তিনি জানুৱাৰীত প্ৰতিষ্ঠা হোৱা হোজাই প্ৰেছ ক্লাবৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৱা কাৰ্যসূচীৰে উদযাপন কৰা হয়। আজিৰ প্ৰথম কাৰ্যসূচী হিচাপে পুৱা চাফাই অভিযানৰ পিছত ক্লাবৰ পতাকা উত্তোলন কৰে ক্লাবৰ সভাপতি নিৰঞ্জন সেৰাউগীয়ে। স্মৃতি তৰ্পণ অনুষ্ঠান আৰম্ভ কৰে ক্লাবৰ উপ-সভাপতি সঞ্জিত চন্দ্ৰ দেয়ে। ইয়াৰ পিছত হোজাই প্ৰেছ ক্লাবৰ উদ্যোগত হোজাই সকলোতকৈ পুৰণি বিদ্যালয় আব্দুল হাছিব উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা স্বাস্থ্য সমিতিৰ সহযোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে হোজাই জিলাৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে। বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ৰঞ্জন বৰাই পৰিচালনা কৰা উদ্বোধনী সভাত আদৰণী ভাষণ প্ৰদান কৰে হোজাই প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক কিশলয়দেৱ গোস্বামীয়ে। চিকিৎসা শিবিৰ উদ্বোধন কৰি জিলা আয়ুক্তগৰাকীয়ে ভাষণ প্ৰসংগত ইংৰাজী নৱবৰ্ষৰ পহিলা ভাগত হোজাই প্ৰেছ ক্লাবে নৱ প্ৰজন্মৰ স্বাস্থ্যৰ বাবে তেওঁলোকৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি লোৱা পদক্ষেপ অতি আদৰণী বুলি মন্তব্য কৰে। এই সভাত চিকিৎসক ডাঃ মনিৰুদ্দিন আহমেদে ভাষণ প্ৰসংগত ঠাণ্ডাৰ বতৰত ছাত্ৰ-ছাত্ৰীসকলে স্বাস্থ্যৰ যতন কেনেকৈ ল'ব লাগে তাৰ ব্যাখ্যা কৰে। আজিৰ এই স্বাস্থ্য শিবিৰত দুই শতাধিক শিক্ষাৰ্থীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে কিছু শিক্ষাৰ্থীক উন্নত চিকিৎসাৰ বাবে ৰেফৰ কৰা হয়।

# দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ডিব্ৰুগড় অঞ্চলিক শাখাৰ ৫২ সংখ্যক বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ডিব্ৰুগড়, ৩ জানুৱাৰীঃ** একশৰণ হৰিনাম নাম ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনৰ আধাৰত প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ডিব্ৰুগড় আঞ্চলিক শাখাৰ ৫২ সংখ্যক বাৰ্ষিক অধিৱেশনখনি ডিব্ৰুগড় মহানগৰৰ হাতীমূৰাৰ প্ৰশান্তি পথৰ নিৰ্মালি খনিকৰ প্ৰাথমিক শাখাৰ নামঘৰ প্ৰাংগণত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। দুদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে ৪ আৰু ৫ জানুৱাৰীত অনুষ্ঠিত হ'ব লগা অধিৱেশনখনিৰ লগত সংগতি ৰাখি ৫ জানুৱাৰীত এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা আৰু মুকলি সভা অনুষ্ঠিত কৰা হ'ব। এই মুকলি সভাত গণ্য-মান্য ব্যক্তিৰ লগতে অসম সাহিত্য সভাৰ দ্বাৰা লোকশিল্পী সন্মান প্ৰাপক মন মাউৎ নিদিষ্ট বক্তা ৰূপে উপস্থিত থাকিব। অধিৱেশন উপলক্ষে স্মৃতিগ্ৰন্থ আৰু নিশালৈ শিশু আৰু মহিলাসকলৰ দ্বাৰা ‘ৰাম কৃষ্ণৰ শিশুলীলা ভাওনা’ শীৰ্ষক এখনি ভাওনা প্ৰদৰ্শন কৰা হ'ব। সেয়ে আয়োজক সমিতিৰ হৈ সম্পাদক টুটুমণি শইকীয়া আৰু সভাপতি বিষ্ণু প্ৰতীম বৰাই আঞ্চলিক শাখাৰ সংগী আৰু স্থানীয় ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি তথা অধিৱেশনৰ সকলো কাৰ্যসূচীতে সহায়-সহযোগিতা কামনা কৰিছে।

# প্ৰধানমন্ত্ৰী যক্ষ্মামুক্ত ভাৰত অভিযানৰ অধীনত ডিব্ৰুগড়ৰ ৩০০ যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্য বিতৰণ


**ই-সংবাদ, ডিব্ৰুগড়, ৩ জানুৱাৰীঃ** প্ৰধানমন্ত্ৰী যক্ষ্মামুক্ত ভাৰত অভিযানৰ অংশ হিচাপে আজি ডিব্ৰুগড় জিলাৰ মুঠ ৩০০ জন যক্ষ্মাৰোগীক পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। 'নিক্ষয় মিত্ৰ'- হিচাপে এই টোপোলাসমূহ প্ৰদান কৰে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডে। উল্লেখ্য যে বিচিপিএলে সমগ্ৰ জিলাৰ মুঠ ৬০০ গৰাকী নতুনকৈ চিনাক্ত হোৱা যক্ষ্মাৰোগীক দ্বিতীয়বাৰৰ বাবে ছয়মাহৰ পুষ্টিকৰ খাদ্যৰ টোপোলা যোগান ধৰে। প্ৰথম পৰ্যায়ত টেঙাখাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১০০ জন, নাহৰণি স্বাস্থ্য কেন্দ্ৰত ১০০ জন, বৰবৰুৱা স্বাস্থ্য কেন্দ্ৰত ৪০ জন আৰু খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৬০ জন ৰোগীক এই খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। এই বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয় বৰবৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত। অনুষ্ঠানৰ লগত সংগতি ৰাখি উপস্থিত ৰোগী, স্বাস্থ্যকেন্দ্ৰৰ কৰ্মচাৰী তথা জনসাধাৰণৰ মাজত চমু সজাগতা সভাও অনুষ্ঠিত কৰা হয়। সভাত বিচিপিএলৰ হৈ উপস্থিত থাকে ডিজিএম(এইচ আৰ) ৰোহিনীকান্ত শৰ্মা আৰু চিএছআৰ, নডেল বিষয়া চন্দন বৰুৱা। আনহাতে, বৰবৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ হৈ উপস্থিত থাকে মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ ইন্দিৰা নেওগ। সভাত বৰবৰুৱা উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া লক্ষিমা সন্দিকৈও উপস্থিত থাকে। আনহাতে, ডিব্ৰুগড় এনটিইপিৰ হৈ উপস্থিত থাকে জিলা যক্ষ্মা বিষয়া ডঃ ৰবি বৰুৱা। অনুষ্ঠানটি পৰিচালনা কৰে ডিব্ৰুগড় এন টি ইপিৰ পি এম ডি টি সমন্বয়ক বিষ্ণু গোহাঁয়ে।

# দলগাঁও শিয়ালমাৰী শিক্ষাখণ্ডত পাঠভিত্তিক শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শনী অনুষ্ঠান

**ই-সংবাদ, খাৰুপেটীয়া, ৩ জানুৱাৰীঃ** দৰং জিলাৰ দলগাঁও শিয়ালমাৰী শিক্ষা খণ্ডৰ উদ্যোগত আজি দলগাঁও ছোৱালী মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত বুনিয়াদী স্বাক্ষৰতা আৰু সাংখ্যিকতাৰ শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শনী অনুষ্ঠান আয়োজন কৰা হয়। প্ৰদৰ্শনী অনুষ্ঠানটি শুভ উদ্বোধন কৰে দৰং জিলা ডায়েটৰ অধ্যক্ষা ড০ মঞ্জু চুতীয়াই। অনুষ্ঠানটিত দলগাঁও শিয়ালমাৰী শিক্ষাখণ্ডৰ ১৫০খনকৈ বিদ্যালয়ৰ প্ৰায় ৪৫০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে হাতেৰে বনোৱা বিভিন্ন ধৰণৰ উদ্ভাৱনীমূলক পাঠভিত্তিক শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শন কৰে। প্ৰদৰ্শনী অনুষ্ঠানটিৰ শেষত লিটাৰেছি আৰু নিউমাৰেছি স্তৰত পাৰদৰ্শিতা দেখুৱা প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত বিদ্যালয় বাছনি কৰা হয়। ইয়াৰ পিছত দলগাঁও শিয়ালমাৰী শিক্ষা খণ্ডৰ বিদ্যালয়সমূহৰ সহঃ পৰিদৰ্শক আবুল কালাম আহমেদৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত দৰং ডায়েটৰ প্ৰবক্তা ক্ৰমে ৰূপম দাস, নৱজিৎ প্ৰধানী, পিকুমণি শইকীয়া, মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনৰ সভাপতি পৱন কুমাৰ ঝা, দলগাঁও মহকুমা শিক্ষক সন্মিলনৰ সভাপতি ৰাহিদুৰ ৰহমান, সম্পাদক মেহবুব ৰহমান খলিফা, এফ এল এনৰ সমল ব্যক্তি চাজিদুৰ ৰহমান আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি স্থানপ্ৰাপ্ত বিদ্যালয়সমূহৰ মাজত ট্ৰফী, মেডেল, মানপত্ৰ আদি প্ৰদান কৰে। উক্ত শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শনী অনুষ্ঠানটিত বি আৰ পি, চি আৰ চি চি আৰু জিলা পৰ্যায়ৰ এফ এল এন কনচালটেণ্ট বন্দিতা শইকীয়াৰ লগতে কেইবাজনো বিষয়া উপস্থিত থাকি শিক্ষক-শিক্ষয়িত্ৰীসকলক উৎসাহিত কৰাও দেখা যায়।

# মোৰাঝাৰত ডিজিটেল পদ্ধতিৰে ঠগিলে দুই প্ৰৱঞ্চকে

**ই-সংবাদ, মোৰাঝাৰ, ৩ জানুৱাৰীঃ** হোজাইৰ মোৰাঝাৰত ডিজিটেল পদ্ধতিৰে ব্যৱসায়ীক ঠগি আৰক্ষীৰ জালত পৰিছে দুই প্ৰৱঞ্চক। উল্লেখ্য যে ফোন পে'ৰ জৰিয়তে দীৰ্ঘদিনৰ পৰা এটা চক্ৰই লুটি আহিছিল ব্যৱসায়ীক। অৱশেষত মোৰাঝাৰ আৰক্ষীৰ জালত পৰে দুটাকৈ প্ৰৱঞ্চক। উল্লেখ্যে যে মোৰাঝাৰ বজাৰত ফোন পে'ৰ জৰিয়তে ১০০০ টকাৰ পৰিৱৰ্তে ১ টকা দিয়ে ছাবিৰ নামৰ প্ৰৱঞ্চকটোৱে। ৰাইজে হাতে -লোটে কৰায়ত্ত কৰে প্ৰৱঞ্চকটোক। আন এটা প্ৰৱঞ্চকে পলায়ন কৰে। পিছত মোৰাঝাৰ আৰক্ষীয়ে আটক কৰে পলায়ন কৰা প্ৰৱঞ্চকটোক। এই দুই প্ৰৱঞ্চকে ভুৱা এপছ বনাই দীৰ্ঘদিনৰ পৰা লুটি আহিছিল ধন। বৃহস্পতিবাৰে প্ৰৱঞ্চক ছাবিৰ আহমেদ আৰু ম্বোহাইৰক আটক কৰাৰ পিছতে কেইবাজনো ভুক্তভোগী উপস্থিত হয় মোৰাঝাৰ আৰক্ষী থানাত। এই ঘটনাত আন বহু লোক গ্ৰেপ্তাৰ



হোৱাৰ সম্ভাৱনা আছে। বাতৰি লিখা পৰলৈকে মোৰাঝাৰ আৰক্ষীয়ে প্ৰৱঞ্চক দুটাক জিম্মাত ৰাখি মাৰাথন জেৰা অব্যাহত ৰাখিছে।

# বালিজানত ক্ৰিকেট পূৰ্ণগতিত, ছেমিফাইনেলত প্ৰৱেশ বেচামাৰীৰ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৩ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ ৰঙাদৰীয়াৰ সমীপৰ বালিজানৰ চানৰাইজ ক্লাবৰ উদ্যোগত বালিজান খেলপথাৰত সদৌ অসম ভিত্তিত পূৰ্ণগতিত চলি থকা " ক্ৰিকেট মহাৰণ-২০২৪/২৫ " ত বেচামাৰীৰ এম এইছ ইলেভেন ছেমিফাইনেলত উপনীত হৈছে। সীমিত অভাৰৰ এই প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আজি তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত বেচেমাৰীৰ এম এইছ ইলেভেনে ধিঙৰ আহোমগাঁৰৰ আশ্ৰাফুল ইলেভেনক ৪৯ ৰাণত পৰাজিত কৰে। খেলখনত বেচামাৰী এম এইছ ইলেভেনে পোনতে বেট ধৰি নিৰ্ধাৰিত ১০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১২৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আশ্ৰাফুল ইলেভেন দলটোৱে ১০ অভাৰত নটা উইকেট হেৰুৱাই ৮০ ৰাণহে কৰিবলৈ সক্ষম হয়। নজৰুল ইছলাম আৰু জেহিৰুল হক আম্পায়াৰৰূপে থকা খেলখনত এম এইছ ইলেভেনৰ আব্দুল আজিজে প্লেয়াৰ অব্ দ্যা মেচৰ বঁটা লাভ কৰে। ইতিপূৰ্বে অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত পি চি চিয়ে মৰিগাঁৰৰ পছুটীয়া ক্ৰিকেট ক্লাবক আৰু সন্মিলিত এন আৰ এছ এগু এছ এছে বৰপেটাবড়ি মৰাসোণাইপাৰ বকুলতল প্ৰভাত ইলেভেনক হৰুৱাই ছেমিফাইনেলত স্থান সুৰক্ষিত কৰিছে। আয়োজক সমিতিৰ সভাপতি নজৰুল ইছলামে জানিবলৈ দিয়ামতে, এতিয়া অহা ৫ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত ধূপগুৰি ক্ৰিকেট ক্লাবে নগাঁৰৰ ৰিলিফ ৰাইন'ছৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

# ৰঙিয়াত খেল মহাৰণৰ শুভাৰম্ভ

**ই-সংবাদ, ৰঙিয়া, ৩ জানুৱাৰীঃ** ৰাজ্যৰ সৰ্ববৃহৎ ক্ৰীড়া সমাৰোহ খেল মহাৰণ ২.০ ৰ অংশস্বৰূপে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ৰঙিয়া বিধানসভা পৰ্যায়ৰ "খেল মহাৰণ"ৰ শুভাৰম্ভ কৰা হয়। ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ৰঙিয়া মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত খেল মহাৰণৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৰঙিয়া সমষ্টিৰ বিধায়ক তথা বিজেপি দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই। ৰঙিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত বৈদ্যগড়, মৰাণজানা, জয়ন্তীপুৰকে ধৰি বিভিন্ন গাওঁ পঞ্চায়তৰ পৰা খেলুৱৈসকলে খেল মহাৰণত অংশগ্ৰহণ কৰে। উদ্বোধনী কাৰ্যসূচীত ৰঙিয়া সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামী, পৌৰপতি অমৰেন্দ্ৰ লহকৰ প্ৰমুখ্যে কেবাগৰাকী ব্যক্তি উপস্থিত থাকে।



টাইপাৰ কেন্দ্ৰীয় অধিৱেশনত বিবিচিৰ সাংবাদিক শচীন গগৈ

# চতুৰ্থ বৃহৎ সংকটৰ মাজত আহোম জনগোষ্ঠী!

**ই-সংবাদ, শিৱসাগৰ, ৩ জানুৱাৰীঃ** শুকুৰবাৰে সোণাৰিৰ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰত আয়োজিত টাই আহোম যুৱ পৰিষদ, অসম বা টাইপাৰ ষষ্ঠতম কেন্দ্ৰীয় অধিৱেশনত মুখ্য বক্তা হিচাপে আগবঢ়োৱা ভাষণত গগৈয়ে কয় যে ১৬৬২ চনত মিৰ জুমলাই ৰাজধানী গড়গাওঁ দখল কৰি আহোমৰ অস্তিত্বৰ প্ৰতি সৰ্বপ্ৰথম ভাবুকি আনিছিল। দ্বিতীয় সংকটৰ সময়খিনি আছিল ১৬৭৯ চনৰ পৰা ১৬৮১ পৰ্যন্ত, যেতিয়া লালুকসোলা বৰফুকনৰ মন্ত্ৰণাত ল'ৰাৰজা স্বজাতিৰ সংহাৰত নামি পৰে। জাতিটোৰ তৃতীয় সৰ্ববৃহৎ সংকট আহে ১৮১৭ চনৰ মানৰ আক্ৰমণৰ পৰা, যাৰ ফলত এক দশকৰ ভিতৰতে আহোম ৰাজত্বৰো অৱসান হয়। এই তিনিওটা সংকটকালত পৰিলক্ষিত হোৱা একেবোৰ লক্ষণ সাম্প্ৰতিক সময়খিনিতো পৰিস্ফুত হৈ উঠা বুলি মন্তব্য কৰি গগৈয়ে কয় যে আভ্যন্তৰীণ বিবাদ আৰু বিভেদৰ ফলত আহোম সকলে ৰাজনৈতিক ক্ষেত্ৰত সবলভাৱে নেতৃত্ব লোৱাত বিফল হৈছে আৰু তাৰ ফল সমগ্ৰ ৰাজ্যখনেই ভোগ কৰিছে। ছশ বছৰত সবল নেতৃত্বৰে অসমৰ বিবিধ জনগোষ্ঠীৰ মাজত একতা আনি বৰ অসম স্থাপন কৰা আহোমসকলৰ ৰাজনৈতিক ভেটি আজিৰ তাৰিখত থৰক-বৰক বুলি গগৈয়ে মতামত আগবঢ়ায়। তেওঁ কয় যে বহুবোৰ আহোম জনগোষ্ঠীয় দল-সংগঠন থকাৰ পিছতো সামূহিক স্বাৰ্থৰ পৰিৱৰ্তে ব্যক্তিস্বাৰ্থই অগ্ৰাধিকাৰ পোৱাৰ ফলত ৰাজনৈতিক ক্ষেত্ৰত আহোমসকলৰ স্থিতি দুৰ্বল হৈ পৰিছে। পবিত্ৰ মাৰ্ঘেৰিটা, গৌৰৱ গগৈৰ দৰে আহোম নেতা সকলৰ উত্থান জাতিটোৰ বাবে আৰু ৰাজ্যখনৰ বাবে আশাব্যঞ্জক যদিও কেৱল দুই-চাৰিজন সবল নেতাৰে আহোমৰ হৃত ৰাজনৈতিক শক্তি পুনৰুদ্ধাৰ কৰা সম্ভৱ নহব বুলি গগৈয়ে মত আগবঢ়ায়। আহোম জনগোষ্ঠীৰ উন্নয়নৰ বাবে এক পাঁচ-দফীয়া সূত্ৰ আগবঢ়াই গগৈয়ে কয় যে অনাগত দিনবোৰত ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়ন,শিক্ষা আৰু কৌশলৰ বিকাশ, নেতৃত্ব বিকাশ, অৰ্থনৈতিক উন্নয়ন আৰু ইতিবাচক নেৰেটিভ সৃষ্টিৰ জৰিয়তে আহোম জনগোষ্ঠীটোৱে ৰাজ্য আৰু দেশৰ উন্নয়নত পুনৰাই নেতৃত্ব লব পাৰিব। তেওঁ কয় যে ছশটা বছৰ ৰাজত্ব কৰা এটা জাতিৰ কোনো মানুহ যাতে হিতাধিকাৰী হৈ নাথাকে তাৰ বাবে বদ্ধপৰিকৰ হোৱাৰ সময় আহি পৰিছে। বৰ্তমানৰ চৰকাৰে আহোম ঐতিহ্য আৰু ঐতিহাসিক সমলসমূহৰ সংৰক্ষণৰ বাবে কিছু কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে যদিও ৰাজনৈতিক অধিকাৰ নিশ্চিতিৰ ক্ষেত্ৰত সদিচ্ছাৰ অভাৱো স্পষ্ট বুলি জেষ্ঠ্য সাংবাদিকজনে মত আগবঢ়ায়। আহোমৰ জনজাতিকৰণৰ দাবী এক ৰাজনৈতিক আহিলালৈ পৰিণত হোৱা বুলি মন্তব্য কৰি গগৈয়ে কয় যে সাধাৰণ আহোম জনতাই এই টোপটো ব্যৱহাৰ কৰি মুনাফা আদায় কৰি থকা ৰাজনৈতিক শক্তি সমূহক চিনাক্ত কৰাৰ প্ৰয়োজন আছে। আহোম জনগোষ্ঠীটোৱে সামাজিক আৰু ৰাজনৈতিক সমস্যাৰাজীৰ বিপক্ষে ঐক্যবদ্ধ হৈ থিয় দিলেহে ভৱিষ্যত সুৰক্ষিত হ'ব বুলি তেওঁ মত আগবঢ়ায়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি